# সদৌ অসম মইনা পাৰিজাতৰ সংক্ষিপ্ত ইতিহাস আৰু কাৰ্যাৱলীৰ চমু আভাস

ৰাতুল বৰা
সাধাৰণ সম্পাদক
সদৌ অসম মইনা পাৰিজাত

ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ সময়লৈকে শিশু কল্যাণৰ কাৰ্য অনুষ্টুপীয়াকৈ আৰম্ভ হৈছিল যদিও ইয়াৰ দৃষ্টিভংগী আছিল আৱশ্যক ভিত্তিত অনাথ বিপদগস্ত শিশুক ৰক্ষণা-বেক্ষণ দিয়া। অসমতো ১৯৪০ চনৰ আগলৈকে বহুতো সৰু-সুৰা শিশু কল্যাণ অনুষ্ঠান আৰু শিশু সংঘ গঠিত হৈছিল যদিও ৰাজ্যিক ভিত্তিত কোনো এটা অনুষ্ঠানেই সম্প্ৰসাৰিত হোৱা নাছিল। ১৯৪০ চনত বৰপেটা সত্ৰৰ উদাসীন আতৈ শ্ৰীশ্ৰী ভক্তদাস দেৱে তেখেতৰ জন্মস্থান সৰ্থেবাৰীত 'সখি সংঘ' নামেৰে শিশুৰ নৈতিক আৰু মানসিক বিকাশৰ উদ্দেশ্যে এটি শিশু সংঘ স্থাপন কৰিছিল। অসমৰ সকলো ঠাইতে এই সংঘ স্থাপনৰ আঁচনি লোৱা হৈছিল যদিও ই সফল হোৱা নাছিল। ১৯৪০ চনত তেজপুৰত সন্মানীয় পদ্মনাথ গোহাঁই বৰুৱা, দণ্ডিনাথ কলিতা তথা মহাদেৱ শৰ্মাৰ উদ্যোগত 'পাৰিজাত সংঘ' নামৰ এটি কিশোৰ অনুষ্ঠান জন্ম হৈছিল। 'আৱাহন'ৰ সম্পাদক দীননাথ শৰ্মাদেৱৰ সম্পাদনাত আৱাহন কাৰ্যালয়ৰ পৰাই 'পাৰিজাত' নামৰ মাহেকীয়া শিশু আলোচনী এখনো ওলাইছিল। পাৰিজাত কাকতখন 'পাৰিজাত সংঘ'ৰ মুখপত্ৰ নহ'লেও সংহতিৰ বিষয়ে প্ৰচাৰ কৰাৰ উপৰি ইয়াৰ কণ কণ সভ্যহঁতৰ ভাল ভাল লেখাবোৰ কাকতখনত প্ৰকাশ কৰি মইনাহঁতৰ বৌদ্ধিক বিকাশ সূচনা কৰিছিল। ককা মহাদেৱ শৰ্মাৰ উদ্যোগত পাৰিজাত সংঘক ৰাজ্যিক ভিত্তিত সম্প্ৰসাৰণৰ আঁচনি হাতত লৈছিল। ১৯৪৬ চনত পাৰিজাত সংঘৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনলৈ সভানেত্ৰী ৰূপে আমন্ত্ৰণ পাই পদ্মশ্ৰী আইতা নলিনীবালা দেৱীয়ে কলিকতাৰ পৰা আহি যোগদান কৰিছিল। ১৯৪৮ চনত যোৰহাটৰ পৰা প্ৰকাশিত 'সাপ্তাহিক জন্মভূমি' কাকতত মইনাৰ বাবে 'মইনা মেল' শীৰ্ষক মইনাৰ লিখনীৰ শিতান মুকলি কৰে ত্ৰৈলোক্যনাথ শৰ্মাদেৱৰ পৰিচালনাত। 'মইনা মেল'ৰ প্ৰতিষ্ঠাপক আছিল জনমভূমি কাকতৰ স্বত্তাধিকাৰী কনক চন্দ্ৰ শৰ্মা, সম্পাদক জগদীশ ফুকন, ত্ৰৈলোক্যনাথ শৰ্মা, শ্ৰী হেমন্ত বৰদলৈ, বদন বৰুৱা আৰু ৰোহিত ৰাজখোৱা আদি স্বনামধন্য ব্যক্তি সকলে। অতি কম দিনৰ ভিতৰত এই 'মইনা মেল' অতি আদৰণীয় আৰু জনপ্ৰিয় হ'ল। 'মইনা মেল'ৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি গান্ধীজীৰ বুনিয়াদী শিক্ষা পদ্ধতি, ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তি নিকেতনী পদ্ধতি আৰু মণ্টেছৰী শিক্ষা পদ্ধতিৰ মূল কথাকেইটা মিলাই লৈ অসমৰ স্থানীয় পৰিৱেশত আৰু আনুষ্ঠানিক শিক্ষাৰ অনুষ্ঠানত যথাসম্ভৱ খটুৱাব পৰাকৈ মইনা মেলৰ নিয়মাৱলী আৰু কাৰ্য-পদ্ধতি স্থিৰ কৰা হয়। ইয়াত সহায় কৰিছিল শিক্ষাবিদ টীয়কৰ কনক শইকীয়া, ইউনেস্কোৰ আঞ্চলিক কাৰ্যালয়ৰ কৰ্মী অধ্যাপক অশোক সৰকাৰ, বিমান বৰুৱা, কনকেশ্বৰ ভৰালী আদি ব্যক্তিসকলে। 'মইনা মেল' সংগঠনৰ শিশুৰ শিক্ষামূলক মনঃস্তাত্বিক অধ্যয়ন নিৰ্ণয় কৰাত অসমৰ অন্যতম দুগৰাকী ব্যক্তি আছিল প্ৰাক্তন উপাচায্য সুৰেশ চন্দ্ৰ ৰাজখোৱা আনজন হ'ল অসমৰ সৰ্বজন স্বীকৃত বুনিয়াদী শিক্ষাবিদ প্ৰভাত চন্দ্ৰ শ্ৰুতিকৰ।

যোৰহাট তৰাজান সোণাৰী গাঁৱক 'তৰাজান মইনা মেল' (বৰ্তমান জয়হিন্দ মইনা পাৰিজাত) নামেৰে প্ৰথম মইনা মেল গঠন কৰে শ্ৰী হেমন্ত বৰদলৈদেৱে। তৰাজানত প্ৰথমখন 'মইনা মেল' গঠনৰ পাছতে অল্পায়াসে প্ৰায় স্বতঃস্ফূতভাৱে ক্ৰমান্বয়ে ডিব্ৰুগড়, শিৱসাগৰ, নগাঁও, উত্তৰ লখিমপুৰ, গোলাঘাট আদিত নগৰে-গাঁৱে সমানে মইনা মেল গঢ়ি উঠিছিল।

অসমৰ অন্যান্য জিলাত মইনা মেলৰ সংখ্যা বৃদ্ধি পোৱাত পৰিচালনা কৰিবলৈ এখন কেন্দ্ৰীয় পৰিচালনা সমিতি আৰু অসম ভিত্তিত এখন অভিৱৰ্তন পাতিবলৈ ১৯৫০ চনত 'পাৰিজাত সংঘ' আৰু 'মইনা মেল' এক হৈ অসম প্ৰাদেশিক মইনামেল নামাকৰণ কৰা হয় আৰু জনমভূমি কাৰ্যালয়ত এখন সভা অনুষ্ঠিত কৰি দুখন সমিতি গঠন কৰে। এখন অভ্যৰ্থনা সমিতি আৰু আনখন কেন্দ্ৰীয় পৰিচালনা সমিতি। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে যোৰহাট পৌৰসভাৰ ভূতপূৰ্ব সভাপতি জনমভূমি কাকতৰ স্বত্তাধিকাৰ কনক চন্দ্ৰ শৰ্মা, যুটীয়া সম্পাদক বদন বৰুৱা আৰু জগদীশ ফুকনক নিৰ্বাচন কৰা হয়। প্ৰথম কেন্দ্ৰীয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে মহাদেৱ শৰ্মা, উপ সভাপতি কনক চন্দ্ৰ শৰ্মা, যুটীয়া সাধাৰণ সম্পাদক ত্ৰৈলোক্য নাথ শৰ্মা আৰু জগদীশ ফুকন, কাৰ্যালয় সম্পাদক ৰোহিত ৰাজখোৱা, সংগঠক সম্পাদক শ্ৰী হেমন্ত বৰদলৈ আছিল।

১৯৫১ চনৰ ডিচেম্বৰ মাহত সদৌ অসম প্ৰাদেশিক মইনা মেলৰ উদ্বোধনী তথা প্ৰথম অভিৱৰ্তন উদ্বোধন কৰে ভাৰতৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী ভাৰতৰত্ন পণ্ডিত জৱহাৰলাল নেহৰুৱে। অধিৱেশনৰ মুকলি সমাৰোহৰ সভাপতি আছিল ডিব্ৰুগড়ৰ মইনা বিপুল কলিতা। তেখেত অসম পুলিচ বিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে এই অধিৱেশনৰ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল অখিল ভাৰত বালকান জি বাৰীৰ প্ৰতিষ্ঠাপক সম্পাদক কেশৱ দেও ভোজৰাজদেৱে। প্ৰাদেশীকিত মইনা মেলৰ এই ঐতিহাসিক অধিৱেশনৰ পাছত মইনা মেলৰ শাখা মঙলদৈ, শিৱসাগৰ, গোলাঘাট, নগাঁও, ডিব্ৰুগড়, উত্তৰ লখিমপুৰ, পাচীঘাট, তিনিচুকীয়া, মাৰ্ঘেৰিটা, ডুমডুমা আৰু কহিমালৈকে বিয়পি পৰে। এই

ক্ষেত্ৰত স্মৰণযোগ্য ব্যক্তি অলেখ। তাৰে ভিতৰত অন্যতমসকল হ'ল তেজপুৰৰ মহাদেৱ শৰ্মা, তাৰিণী বৈশ্য, চন্দ্ৰধৰ গোস্বামী, অমিয় কুমাৰ দাস, অৰুণ শৰ্মা, হলিৰাম কটকী, চেনীৰাম দাস, তিলক ভূঞা, মোক্ষদা দেৱী, তীৰ্থেশ্বৰ শৰ্মা, ৰাস শৰ্মা, খগেন শৰ্মা। শিৱসাগৰৰ পেটাৰ সিংহ, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, বিমলা প্ৰসাদ চলিহা, খগেন দুৱৰা, পৰেশ বৰঠাকুৰ, মহেন্দ্ৰ নাৰায়ণ শৰ্মা, ডিগবৈৰ প্ৰিয় দাস তালুকদাৰ, কৃষ্ণ বৰুৱা, ডিব্ৰুগড়ৰ লীলা দেৱী, গৌৰী চলিহা, শৈল্যবালা বৰুৱা, নৰ্মদা চৌধুৰী, মোহন কলিতা। তিনিচুকীয়াৰ মাখনী বৰগোহাঁই। মাৰ্ঘেৰিটাৰ গজেন বৰঠাকুৰ। উত্তৰ লখিমপুৰৰ মফিজুদ্দিন ৰহমান বৰুৱা, ললিত শৰ্মা, প্ৰিয় কলিতা, চন্দ্ৰকমল গোস্বামী, আজিজুল হক বৰুৱা, তৌফিক বৰুৱা, নৃপেন ফুকন। নগাঁৱৰ পদ্মাৱতী দেৱী। শ্বিলঙৰ তিলক বৰদলৈ, যোৰহাটৰ কনক চন্দ্ৰ শৰ্মা, জগদীশ ফুকন, ত্ৰৈলোক্য শৰ্মা, বদন বৰুৱা, কমল কুমাৰী বৰুৱা, যদু দত্ত, হেমন্ত বৰদলৈ, কনক শইকীয়া, অশোক সৰকাৰ, দেৱেশ্বৰ শৰ্মা, দেৱীকা শইকীয়া, অৰুণা বৰকটকী, ইন্দ্ৰেশ্বৰ শৰ্মা, তিলেশ্বৰ বৰদলৈ, শৰৎ দত্ত, ভৱেন দত্ত, চিদানন্দ দত্ত, ৰূপেশ্বৰ বৰা, তৰুণা ঠাকুৰ, নিৰদাবালা শইকীয়া, ৰোহিত ৰাজখোৱা, মানিক শৰ্মা। কহিমাৰ গোবিন্দ্ৰ চন্দ্ৰ পৈৰা, দেৰগাঁৱৰ ভোলা হাজৰিকা, কুঞ্জ হাজৰিকা, গোপীকা বল্লৱ গোস্বামী, অযোধ্যা প্ৰসাদ গোস্বামী। বৰপেটাৰ ছৈয়দ ছামচুল হক, গোৱালপাৰাৰ আনন্দ শৰ্মা, পাচীঘাটৰ টাগান টাকি, লুম্বেৰ দাই। মঙলদৈৰ কৰুণাময় হৰিপদ, পূৰ্ণকান্ত ভাগৱতী, ধৰ্মকান্ত শৰ্মা, ইস্তদেৱ নবীছ, জিতেন ভাগৱতী, মহেন্দ্ৰ নাথ, খগেন বৰদলৈ, ৰমেশ চন্দ্ৰ শৰ্মা, বিজয় ভাগৱতী, দেৱেন্দ্ৰনাথ শৰ্মা, জ্যোতিষ শৰ্মা (টংলা) আদি।

সেই একে সময়তে গুৱাহাটীত 'আৰতি সংঘ' নামে এটি শিশু সংঘ গঠন হৈছিল। এই সংঘৰ সম্পাদক ৰত্নকুমাৰ গৌতম আৰু সহকাৰী সম্পাদক আছিল প্ৰকাশ শৰ্মা। এই অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকল আছিল ডাঃ ভুৱনেশ্বৰ বৰুৱা, পুষ্পলতা দাস, পোৱাল দুৱৰা, কবি-সাহিত্যিক আইতা পদ্মশ্ৰী পাৰিজাতৰত্ন নলিনীবালা দেৱী আদি। এই সংঘৰ এখন সভাত সৰু সৰু অস্থায়ী সভা পতাতকৈ সদৌ অসমজোৰা শিশু অনুষ্ঠান এখনি গঢ়ি তোলাৰ প্ৰস্তাৱ গ্ৰহণ কৰি এই বিষয়ত আলোচনা কৰিবলৈ ১৯৫০ চনৰ ২০ জুলাই তাৰিখত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত এখন আলোচনা সভা হয়। ১৯৫০ চনৰ ২২ আগষ্টত বি বৰুৱা কলেজত অনুষ্ঠিত সভাত এখন কাৰ্যকৰী সমিতি গঠন কৰি এই সমিতিক এখন নিয়মাৱলী প্ৰণয়ন কৰিবলৈ দিয়া হয়। এই সভাৰ কাৰ্যবিৱৰণী 'নতুন অসমীয়া' বাতৰি কাকত যোগে আইতা নলিনীবালা দেৱীয়ে প্ৰবন্ধ আকাৰে প্ৰকাশ কৰাত ব্যাপক সঁহাৰি লাভ কৰে। ইয়াৰ পিছত অসমৰ বিভিন্ন ঠাইৰ সমাজসেৱীসকলক আহবান কৰি কুমাৰ ভাস্কৰ নাট্য মন্দিৰত কামাখ্যাৰাম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'সদৌ অসম পাৰিজাত কানন' নামৰ শিশু অনুষ্ঠান এটি প্ৰতিষ্ঠা কৰা হয়। এই সংগঠনটোৰ ২১জন সদস্যৰে প্ৰথম কাৰ্যকৰী সমিতি গঠন কৰি আইতা নলিনীবালা দেৱী সৰ্বাধিনায়িকা, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সহঃ সৰ্বাধিনায়ক, অতুল চন্দ্ৰ হাজৰিকা ধন ভঁৰালি, দীননাথ শৰ্মা মুখ্য সংগঠক, জিতেন্দ্ৰনাথ বুজৰবৰুৱা সাহিত্য সম্পাদক, ৰত্ন কুমাৰ গৌতম সাধাৰণ সম্পাদক আৰু লক্ষেশ্বৰ দাস, প্ৰকাশ শৰ্মা, ভবানন্দ দত্ত, নবীন শৰ্মা, শীতলা দাস সদস্য হিচাপে মনোনীত হৈছিল। ইয়াৰ কাৰ্যালয় আছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দেৱৰ বাসগৃহ 'শান্তি ভৱন'ত। প্ৰথম শাখা হিচাপে 'আৰতি সংঘ' পাছলৈ 'মিনাৰ্ভা পাৰিজাত কানন' নামেৰে নামকৰণ কৰা হৈছিল। ১৯৫২ চনত পাণবজাৰ হৰিসভা মণ্ডপত পাৰিজাত কাননৰ প্ৰথম মুকলি সভা বহে। আমন্ত্ৰণ ক্ৰমে সভাপতিত্ব কৰে অসম প্ৰাদেশীক মইনা মেলৰ সভাপতি মহাদেৱ শৰ্মাদেৱে। অভ্যৰ্থনা সমিতিৰ সম্পাদিকা আছিল ৰেণুকা দেৱী বৰকটকী, চাৰু বৰদলৈয়ে নৃত্য, মুকুল বৰুৱাই সংগীত আৰু জীৱেশ্বৰ বৰুৱাই প্ৰদৰ্শনী পৰিচালনা কৰিছিল। অযোধ্যা প্ৰসাদ গোস্বামীয়ে গোলাঘাটত, জগত বৰুৱাই ঢকুৱাখনাত আৰু সুবালা হাজৰিকাই যোৰহাটত প্ৰথম 'পাৰিজাত কানন'ৰ শাখা গঠন কৰিছিল।

*১৯৫২ চনত তিনিচুকীয়াত বহা অসম প্ৰাদেশীক মইনা মেলৰ বাৰ্ষিক অধিৱেশনত নলিনীবালা দেৱী, ত্ৰৈলোক্য নাথ শৰ্মা আৰু* মহাদেৱ শৰ্মাদেৱৰ পৰামৰ্শ মৰ্মে দুয়োটা শাখা একত্ৰিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। দুয়োটা অনুষ্ঠানৰ বাবে সাতজনকৈ মুঠ চৈধ্যজন সদস্যৰে এখন আলোচনা সমিতি গঠন কৰে। উক্ত সমিতিয়ে বহুতো বিচাৰ-বিবেচনা কৰি দুয়োটা অনুষ্ঠান একত্ৰিত কৰাত কৃতকাৰ্য লাভ কৰে। ১৯৫৪ চনৰ ২৭ জুন তাৰিখে গুৱাহাটীত অনুষ্ঠিত 'মইনা মেল' আৰু 'পাৰিজাত কানন'ৰ প্ৰতিনিধিমূলক সভাৰ সিদ্ধান্ত সাপেক্ষে দুয়োটা শিশু অনুষ্ঠানক একত্ৰিত কৰি 'মইনা মেল'ৰ মইনা শব্দ আৰু 'পাৰিজাত কানন'ৰ পাৰিজাত শব্দ লৈ 'মইনা পাৰিজাত' জন্ম দিয়া হয়। এটা নতুন যুগৰ সূচনা হ'ল। একত্ৰিত কৰণৰ আগে আকৌ অসম প্ৰাদেশীক 'মইনা মেল'ৰ দ্বিতীয় অধিৱেশন শিৱসাগৰত অনুষ্ঠিত হয়। এই অধিৱেশনৰ সভানেত্ৰী মইনা শ্ৰী দীপা শইকীয়া পিছলৈ যোৰহাটৰ দেৱীচৰণ ছাত্ৰী মহাবিদ্যালয়ৰ অধ্যাপিকা হৈছিল। দুয়োটা অনুষ্ঠান একত্ৰিতকৰণৰ পিছত ১৯৫৮ চনৰ এপ্ৰিলত ডিব্ৰুগড়ত প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। উক্ত অধিৱেশনত 'পাৰিজাত কানন'ৰ পৰা একমাত্ৰ নলিনীবালা দেৱীহে উপস্থিত থাকে আৰু এই অধিৱেশনতে অনুষ্ঠানৰ নাম 'সদৌ অসম মইনা পাৰিজাত' আৰু ইয়াৰ নিয়মাৱলী গ্ৰহণ কৰা হয়। ১৯৫৯ চনত ৩০ ছেপ্টেম্বৰত শ্বিলংস্থিত অসম চৰকাৰৰ পঞ্জীৰদ্ধ কাৰ্যালয়ে 'সদৌ অসম মইনা পাৰিজাত'ক সমিতি পঞ্জীয়ন আইন, ১৯৬০, ২১ নং ধাৰা অনুসৰি পঞ্জীয়ন কৰে। পঞ্জীয়ন নম্বৰ হ'ল ৫২/১৯৫৯-৬০।

ডিব্ৰুগড়ত গৃহীত নিয়মাৱলী ১৯৬১ চনৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত 'সদৌ অসম মইনা পাৰিজাত'ৰ বছৰেকীয়া অধিৱেশনত সংশোধন কৰি ১-৫-১৯৬২ তাৰিখে সাধাৰণ সম্পাদক শ্ৰী হেমন্ত বৰদলৈৰ দ্বাৰা প্ৰথম ছপা কৰি প্ৰকাশ কৰা হয়। মূল্য বাৰ নয়া পইছা। এই নিয়মাৱলীয়েই মইনা পাৰিজাতৰ প্ৰাথমিক সভ্য অৰ্থাৎ ল'ৰা-ছোৱালীৰ সৰ্বোচ্চ বয়স ১২ বছৰ নিৰ্ধাৰণ কৰে। নিয়মাৱলী অনুসৰি মইনা পাৰিজাতৰ উদ্দেশ্য হ'ল— দেশত উঠি অহা শিশুসকলক নিজে নিজে সঙ্ঘবদ্ধ হ'বলৈ সুবিধা দি আনন্দ আৰু ধেমালিৰ মাজেদি তেওঁলোকৰ সহজাত প্ৰবৃত্তিবোৰৰ সুষমাময় বিকাশ কৰোৱা আৰু বিভিন্ন কাৰ্যপন্থাৰ যোগে তেওঁলোকক *ভৱিষ্যৎ দায়িত্বশীল, সামাজিক, নৈতিক আৰু সাংস্কৃতিক জীৱনৰ ভেটি ৰচনা কৰিবলৈ শিক্ষা দিয়া আৰু দেশ-বিদেশৰ শিশুসকলৰ* পৰস্পৰৰ মাজত পৰিচয় ঘটাই মিলা-প্ৰীতি বঢ়োৱা। এই উদ্দেশ্য সাধনৰ অৰ্থে মইনা পাৰিজাতৰ জৰিয়তে কৰিবলগীয়া কামবোৰ নিয়মাৱলী নিৰ্ধাৰণ কৰি দিয়ে। সদৌ অসম মইনা পাৰিজাতৰ এই নিয়মাৱলী ১৯৮২ চনৰ ছেপ্টেম্বৰ আৰু ২০০১ চনৰ জুলাই মাহত সংশোধন কৰা হৈছে যদিও ল'ৰা-ছোৱালীৰ সৰ্বোচ্চ বয়স আৰু মইনা পাৰিজাতৰ উদ্দেশ্যৰ কোনো সংশোধন কৰা হোৱা নাই। ২০০৬ চনৰ জুলাই মাহত ধনশিৰিত অনুষ্ঠিত কেন্দ্ৰীয় পৰিষদ সভাত ১৩ বছৰৰ পৰা ১৮ বছৰ বয়সলৈকে সামৰি চেমনীয়া চৰা গঠনৰ সিদ্ধান্ত গ্ৰহন কৰে। ইয়াৰ পাচত ২০০৭ আৰু ২০১৩ চনত সংবিধান সংশোধন কৰা হৈছে

১৯৬০ চনত তেজপুৰত অনুষ্ঠিত অধিৱেশন সদৌ অসম মইনা পাৰিজাতৰ পূৰ্ণাংগ সফল অধিৱেশন। কাৰণ, এই অধিৱেশনতহে মইনা মেল আৰু পাৰিজাত কানন সকলো পৰিচালক-পৰিচালিকা, মইনা উপস্থিত আছিল। এই অধিৱেশনত মইনা পাৰিজাতৰ সভাপতি হিচাপে মহাদেৱ শৰ্মা, উপ সভাপতি হিচাপে ত্ৰৈলোক্যনাথ শৰ্মা আৰু সম্পাদক হিচাপে চন্দ্ৰধৰ গোস্বামী নিৰ্বাচিত হয়।

১৯৫০ চনৰ পৰাই 'সদৌ অসম প্ৰাদেশীক মইনা মেল' আৰু 'পাৰিজাত কানন'ৰ একত্ৰিকৰণ কৰাৰ প্ৰচেষ্টা চলাইছিল বাবেই অনুষ্ঠানৰ জন্ম বছৰ ১৯৫০ চন ধৰা হয় আৰু ২৭ জুন, ১৯৫৪ চন তাৰিখে দুয়োটা অনুষ্ঠান একত্ৰিকৰণ কৰি 'সদৌ অসম মইনা পাৰিজাত' নামকৰণ কৰা হয় বাবেই ২৭ জুন তাৰিখটো মইনা পাৰিজাতৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি অহা হৈছে।

১৯৬১ চনলৈকে সদৌ অসম মইনা পাৰিজাতৰ কাৰ্যালয়ত কোনো স্থায়ী তথ্য নাই। যিহেতু দুয়োটা অনুষ্ঠানৰ একত্ৰিকৰণৰ ফলত 'মইনা পাৰিজাত' জন্ম হৈছিল, গতিকে সেই সময়ৰ সকলো তথ্য নিশ্চয় মইনা মেল আৰু পাৰিজাত কাননৰ কাৰ্যালয়ত থাকি গ'ল। বাতৰি কাকত, বিভিন্ন স্মৃতিগ্ৰন্থত প্ৰকাশ পোৱা প্ৰবন্ধ, আত্মজীৱনী আদিৰ পৰা ১৯৬১ চনৰ আগৰছোৱা সয়মৰ তথ্য সংগ্ৰহ কৰা হৈছে।

১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহলৈকে সদৌ অসম মইনা পাৰিজাতৰ সকলো কাম-কাজ যোৰহাটৰ পৰা পৰিচালিত হৈছিল। ১৭ ফেব্ৰুৱাৰী ১৯৭০ তাৰিখত গুৱাহাটী বি বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত অষ্টম বাৰ্ষিক অধিৱেশনৰ সিদ্ধান্ত অনুসৰি সদৌ অসম মইনা পাৰিজাতৰ স্থায়ী কাৰ্যালয় গুৱাহাটীত হয় আৰু অনুষ্ঠানৰ সকলো নথি-পত্ৰ বিধিগতভাৱে ৰখাৰ ব্যৱস্থা কৰা হয়। ১২-৫-১৯৬২ চনৰ সভাপতি মহাদেৱ শৰ্মাদেৱৰ স্বাক্ষৰিত কাৰ্যবিৱৰণী বহীৰ মতে গুৱাহাটী তাৰিণীচৰণ হাইস্কুলত বহা সাধাৰণ পৰিষদৰ সভাত নিৰ্বাচিত সদস্যসকল এনেধৰণৰ : আইতা নলিনীবালা দেৱী - উপদেষ্টা (গুৱাহাটী), মহাদেৱ শৰ্মা-সভাপতি (তেজপুৰ), চন্দ্ৰধৰ গোস্বামী- সহঃ সভাপতি (তেজপুৰ), ত্ৰৈলোক্য নাথ শৰ্মা- সহঃ সভাপতি (যোৰহাট), ডাঃ পোৱাল দুৱৰা - সহঃ সভাপতি (গুৱাহাটী), পুষ্পধৰ চলিহা - সহঃ সভাপতি (শিৱসাগৰ), পদ্মাৱতী দেৱী - সহঃ সভানেত্ৰী (নগাঁও), শ্ৰী হেমন্ত বৰদলৈ - সাধাৰণ সম্পাদক, ৰেৱানন্দ চৌধুৰী, অনিল বৰকটকী আৰু হৰেশ্বৰ গোস্বামী - সম্পাদক। সদস্যবৃন্দ ক্ৰমে— খগেন দুৱৰা (শিৱসাগৰ), ভোলা হাজৰিকা (গোলাঘাট), বিদ্যাৱতী বৰুৱা (নগাঁও), শ্ৰীৰেণুকা দেৱী বৰকটকী (গুৱাহাটী), ডাঃ অনিল শৰ্মা (গোৱালপাৰা), নৃপেন্দ্ৰ শৰ্মা (উত্তৰ লখিমপুৰ), ইষ্টদেৱ নবিশ (মঙলদৈ), ছৈৱদ চামচুল হক (বৰপেটা), গোবিন্দ পৈৰা (কহিমা) আৰু ধন ভৰালী -বনয় খাউণ্ড ।

ইয়াৰ পিছত ১-৭-১৯৬৭ তাৰিখে দেৰগাঁৱৰ সাধাৰণ পৰিষদত নিৰ্বাচিত বিষয়ববীয়া সকল যথাক্ৰমে ত্ৰৈলোক্য নাথ শৰ্মা - সভাপতি, পদ্মাৱতী দেৱী, হৰেশ্বৰ গোস্বামী -উপ সভাপতি, শ্ৰী হেমন্ত বৰদলৈ - সাধাৰণ সম্পাদক, শ্ৰী ভবেন দত্ত - সম্পাদক, মানিক শৰ্মা - কাৰ্যালয় সম্পাদক, সদস্যসকল— ভোলা হাজৰিকা (গোলাঘাট), তিলক ভূঞা (তেজপুৰ), ভবানন্দ হাজৰিকা (যোৰহাট), গিৰীশ গোস্বামী (শিৱসাগৰ), পৰেশ বৰঠাকুৰ (বৰপেটা), ধৰ্মেশ্বৰ বৰুৱা, যাদৱ বৰদলৈ (যোৰহাট), মণি দত্ত (বৰুৱাবামুণ গাঁও), বিনন্দ শৰ্মা (বোকাখাত), খগেন্দ্ৰ নাথ দুৱৰা (শিৱসাগৰ)।

১৯৬৮ চনৰ ৪ অক্টোবৰত যোৰহাটৰ বি টি কলেজত অনুষ্ঠিত হোৱা সাধাৰণ পৰিষদৰ নিৰ্বাচিত হোৱা বিষয়ববীয়া সকল - ত্ৰৈলোক্য নাথ শৰ্মা - উপদেষ্টা, খগেন দুৱৰা - সহঃ সম্পাদক, সংগঠক সম্পাদক ক্ৰমে মোহন কলিতা (গুৱাহাটী), জিতেন ভাগৱতী (মঙলদৈ), চন্দ্ৰকমল গোস্বামী (উত্তৰ লখিমপুৰ), **ধন ভৰালী - তৰুণ গগৈ (প্ৰক্তন মুখ্যমন্ত্ৰী)**।

সদস্যসকল ছৈয়দ আনোৱাৰ টাইমূৰ (গুৱাহাটী), চিত্তৰঞ্জন গোস্বামী (নগাঁও), সূৰ্য কুমাৰ ভূঞা (উত্তৰ লখিমপুৰ), কৃষ্ণকান্ত কলিতা (শিৱসাগৰ), বুধিন শইকীয়া (যোৰহাট), মণি দত্ত, জ্যোতিষ শৰ্মা (মঙলদৈ) আৰু তিলক ভূঞা (তেজপুৰ)।

অষ্টম বাৰ্ষিক অধিৱেশন ২৭-২-৭০, ২৮-২-৭০ আৰু ১-৩-৭০ তাৰিখত গুৱাহাটী বি বৰুৱা কলেজত অনুষ্ঠিত হয়। সাধাৰণ সম্পাদক শ্ৰী হেমন্ত বৰদলৈ উপস্থিত থাকিব নোৱাৰি কাৰ্যালয় সম্পাদক মানিক চন্দ্ৰ শৰ্মাক দায়িত্ব দি পঠোৱাত অধিৱেশনৰ যাৱতীয় কাৰ্য শৰ্মাদেৱে চলায়। এই অধিৱেশনত উপদেষ্টা -ত্ৰৈলোক্য নাথ শৰ্মা (যোৰহাট), হৰেশ্বৰ গোস্বামী (নগাঁও), সভানেত্ৰী - কমল কুমাৰী বৰুৱা (গুৱাহাটী), উপ সভাপতি - চন্দ্ৰ কমল গোস্বামী (উত্তৰ লখিমপুৰ),পদ্মাৱতী দেৱী (নগাঁও), শ্ৰী জিতেন ভাগৱতী (মঙলদৈ), মণি দত্ত (দেৰগাঁও), খগেন দুৱৰা (শিৱসাগৰ) আৰু ধন ভৰালী - কন্দৰ্পেশ্বৰ শৰ্মা (গুৱাহাটী), সদস্যৰূপে অযোধ্যা প্ৰসাদ গোস্বামী, সোণচৰণ বৈশ্য, জাহিদ চৌধুৰী, অমূল্যবালা গগৈক নিৰ্বাচন কৰে।

মুকলি সভাত সভানেত্ৰিত্ব কৰে নগাঁও জিলাৰ সোণালী মইনা পাৰিজাতৰ মইনা শ্ৰীৰুনিমা ভঁৰালীয়। পতাকা উত্তোলন কৰে বৰপেটা জিলাৰ মইনা শ্ৰীহৃষিকেশ ৰায়ে আৰু প্ৰদৰ্শনী উদ্বোধন কৰে তেজপুৰ জিলা মইনা পাৰিজাতৰ মইনা (ৰূপালী শাখাৰ) শ্ৰীঅপূৰ্ব কুমাৰ বৰাই। মুকলি সভাত মুখ্য অতিথিৰূপে যোগদান কৰে অতুল চন্দ্ৰ হাজৰিকা আৰু আইতা নলিনীবালা দেৱীয়ে। সাংস্কৃতিক সমাৰোহ মুকলি কৰে মুখ্য ন্যায়াধীশ পাৰ্বতী প্ৰসাদ গোস্বামীদেৱে।পতাকা উত্তোলনত অতিথি ৰূপে ভাষণ আগবঢ়ায় শিশুপ্ৰেমী নবীন শৰ্মাদেৱে আৰু প্ৰদৰ্শনী মুকলি অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণ আগবঢ়ায় অধ্যক্ষ ড০ প্ৰমোদ ভট্টাচাৰ্যদেৱে।

১৯৭৩ চনৰ ২৮ আৰু ২৯ জুলাই তাৰিখে নলবাৰী বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত কেন্দ্ৰীয় পৰিষদৰ বাৰ্ষিক অধিৱেশনত নিয়মাৱলী সংশোধন কৰি শিশু সমাৰোহ' আৰু পৰিচালকৰ বাবে 'সাধাৰণ পৰিষদ' সভা দুভাগে পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেন্দ্ৰীয় সমিতি এনে ধৰণে নিৰ্বাচিত হয় - সভানেত্ৰী - কমল কুমাৰী বৰুৱা, উপ-সভাপতি -ভোলা হাজৰিকা, বিজয়া চক্ৰৱৰ্তী আৰু থানেশ্বৰ দেৱ গোস্বামী, সাধাৰণ সম্পাদক - ৰত্ন কুমাৰ গৌতম, সহঃ সম্পাদক -পৰমানন্দ দাস, শ্ৰীহৰি বৰ্মন, খগেন দুৱৰা, সংগঠক সম্পাদক- শ্ৰীনিৰঞ্জন বৰা, শ্ৰীজিতেন ভাগৱতী আৰু মহম্মদ ইছফাকুৰ ৰহমান। মুকলি সভাত সভাপতিত্ব কৰিছিল ডাঃ ভূমিধৰ বৰ্মনদেৱে আৰু বিশিষ্ট অতিথি হিচাপে যুটীয়া শিক্ষাধিকাৰ আশ্ৰফ আলিয়ে যোগদান কৰে।

আইতা নলিনীবালা দেৱী আছিল 'পাৰিজাত কানন'ৰ প্ৰতিষ্ঠাতা। পাছলৈ মইনা পাৰিজাতৰ সৰ্বাধিনায়িকা হিচাবে দায়িত্ব পালন কৰিছিল। তেখেতে সাহিত্য জগতলৈ আগবঢ়োৱা অৱদান আৰু সমাজ সেৱাৰ স্বীকৃতিস্বৰূপে ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধিৰে বিভূষিত কৰে। অসমৰ শিশুসকললৈ আগবঢ়োৱা সেৱাৰ বাবে পদ্মশ্ৰী নলিনীবালা দেৱীৰ লগতে মহাদেৱ শৰ্মা আৰু ত্ৰৈলোক্য নাথ শৰ্মা ক সদৌ অসম মইনা পাৰিজাতৰ তৰফৰ পৰা ২০০৮ চনৰ ৪ ফেব্ৰুৱাৰীত শিৱসাগৰত অনুষ্ঠিত দ্বাদশ দ্বি-বাৰ্ষিক ৰাজ্যিক শিশু সমাৰোহত 'পাৰিজাত ৰত্ন' উপাধি মৰণোত্তৰভাৱে প্ৰদান কৰা হয়।

সদৌ অসম মইনা পাৰিজাতৰ শিশু সমাৰোহ

**প্ৰথম শিশু সমাৰোহ** ঃ ১ম শিশু সমাৰোহ নগাঁৱত ১৭, ১৮ আৰু ১৯ জানুৱাৰী, ১৯৭৫ চনত অনুষ্ঠিত হয়। উক্ত সমাৰোহৰ অভ্যৰ্থনা সমিতিৰ সভাপতি মহেশ চন্দ্ৰ গোস্বামী আৰু সম্পাদক নিৰঞ্জন বৰা। সমাৰোহৰ শোভাযাত্ৰা বৰ আকৰ্ষণীয় আছিল। মুকলি সভাৰ সভানেত্ৰী আছিল ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীমিনাক্ষী চলিহা। সমদল যাত্ৰাৰ উদ্বোধন আৰু মুকলি সভাৰ অতিথি হিচাপে শ্ৰীস্বৰ্ণপ্ৰভা মহন্তই যোগদান কৰে। উক্ত সমাৰোহত ৭০০ মইনা প্ৰতিনিধিয়ে যোগদান কৰিছিল।

**দ্বিতীয় শিশু সমাৰোহ** ঃ ২য় শিশু সমাৰোহ ১৯৭৬ চনত দেৰগাঁৱত 'ৰূপালী জয়ন্তী' সমাৰোহ হিচাপে অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি ছৈয়দ আব্দুল মালিক আৰু সম্পাদক ভোলা হাজৰিকা আছিল। মুকলি সভাত সভাপতিত্ব কৰিছিল গুৱাহাটী ৰাজধানী মইনা পাৰিজাতৰ মইনা শ্ৰীফুল কুমাৰী তালুকদাৰে আৰু নিৰ্দিষ্ট বক্তা আছিল তেজপুৰ জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীপঙ্কজ বৰুৱা। এই সমাৰোহত ১৪০০ মইনা প্ৰতিনিধিয়ে যোগদান কৰিছিল।

**তৃতীয় শিশু সমাৰোহ** ঃ তেজপুৰত ২৪, ২৫, ২৬ আৰু ২৭ অক্টোবৰ ১৯৮৫ অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদেবেশ্বৰ গোস্বামী আৰু সম্পাদক শ্ৰীবেণুধৰ কাকতি। সমাৰোহত ২১০০ মইনা প্ৰতিনিধিয়ে যোগদান কৰিছিল। মুকলি সভাত সভাপতিত্ব কৰিছিল উত্তৰ লখিমপুৰ জিলাৰ নৱজ্যোতি মইনা পাৰিজাতৰ মইনা শ্ৰীশান্তনু ভূঞাই। এই সভাতে শিশুপ্ৰেমী মহিম চন্দ্ৰ মেধিদেৱক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভা উদ্বোধন কৰিছিল ককা মহাদেৱ শৰ্মাদেৱৰ পত্নী কুঞ্জবালা দেৱীয়ে। সমদল যাত্ৰা উদ্বোধন কৰে নগাঁও জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীকংকনা বৰাই। মুকলি সভাৰ নিৰ্দিষ্ট বক্তা গোলাঘাট জিলাৰ মইনা শ্ৰীৰূপৰেখা শইকীয়া আৰু ক্ৰমে তেজপুৰ, নগাঁও, যোৰহাটৰ মইনা শ্ৰীসুমন্ত বৰুৱা, শ্ৰীমনোজ কুমাৰ

নাথ আৰু শ্ৰীবাসৰ প্ৰতীম পাঠকে।

**চতুৰ্থ শিশু সমাৰোহ** ঃ ডুলিয়াজানত ৪, ৫, ৬ আৰু ৭ জানুৱাৰী, ১৯৮৭ চনত অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীকমল চন্দ্ৰ শৰ্মা বৰদলৈ আৰু সম্পাদক শ্ৰীবদন চন্দ্ৰ ভুএগ আছিল। এই সমাৰোহত ২১০০ মইনা প্ৰতিনিধিয়ে যোগদান কৰিছিল। সমাৰোহৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীপল্লবী শৰ্মাই। মুকলি সভাৰ সভাপতি তেজপুৰ জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীসুমন্ত বৰুৱা, নিৰ্দিষ্ট বক্তা শ্ৰীঅৰনী কুমাৰ দত্ত (মইনা, যোৰহাট জিলা মইনা পাৰিজাত) আৰু শ্ৰীঅনুপলানন্দ ভাগৱতী (মইনা, মঙ্গলদৈ জিলা মইনা পাৰিজাত) সভাত শিশুপ্ৰেমী ত্ৰৈলোক্য নাথ শৰ্মাদেৱক সম্বৰ্দ্ধনা জনোৱা হয়।

**পঞ্চম শিশু সমাৰোহ** ঃ লখিমপুৰ জিলাৰ নাৰায়ণপুৰত ২৫, ২৬, ২৭ আৰু ২৮ ফেব্ৰুৱাৰী, ১৯৯৩ চনত উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণত অনুষ্ঠিত হয়। সমাৰোহৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীগিৰীশ ভূএগ, সম্পাদক শ্ৰীপ্ৰবীণ কুমাৰ শইকীয়া। সমাৰোহত ১৪ খন জিলাৰ ৯১৭ জন মইনা আৰু ১৬০ জন পৰিচালকে যোগদান কৰে। পতাকা উত্তোলন কৰে উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীভাস্কৰ শইকীয়াই। মূল সভাত সভাপতিত্ব কৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীশুভ্ৰজ্যোতি শইকীয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে মইনা শ্ৰীনৱদ্বীপ বৰুৱা (ধেমাজী), শ্ৰীপৰিস্মিতা ভঁৰালী (ধনশিৰি), শ্ৰীৰিপুঞ্জয় বৰুৱা (ডিব্ৰুগড়)। মইনাৰ মৌ মাতত আংশ লয় ক্ৰমে— মইনা শ্ৰীসুৰজ্যোতি বৰকটকী (যোৰহাট), শ্ৰীউদ্দীপন ভুএগ (তেজপুৰ), শ্ৰীৰিণ্টুমণি বৰা (কলিয়াবৰ), শ্ৰীচন্দনা বৰা (উত্তৰলখিমপুৰ), শ্ৰীহোমেন ডেকা আৰু শান্তা চহৰীয়া (মঙ্গলদৈ)। মুখ্য অতিথি মাধৱদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীশিৱ শৰ্মাই । মুকলি সভাত সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্য সকলক মানপত্ৰ প্ৰদানেৰে সম্বৰ্দ্ধনা জনোৱা হয়।

**ষষ্ঠ শিশু সমাৰোহ** ঃ ১৯৯৫ চনৰ ১৭, ১৮, ১৯ আৰু ২০ ফেব্ৰুৱাৰীত যোৰহাট জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণত সমাৰোহ অনুষ্ঠিত কৰিবলৈ শ্ৰীঅনিল কুমাৰ চাচন (উপায়ুক্ত, যোৰহাট) দেৱক সভাপতি আৰু শ্ৰীভবেন দত্তদেৱক প্ৰধান সম্পাদক হিচাপে লৈ আদৰণি সমিতি গাঠন কৰি কামত আগবাঢ়িও অনিবাৰ্য কাৰণত উক্ত তাৰিখত অনুষ্ঠিত কৰিব পৰা নহ'ল। পুনঃ আদৰণি সমিতিয়ে ১৭ , ১৮, ১৯ আৰু ২০ এপ্ৰিল, ১৯৯৫ তাৰিখে অনুষ্ঠিত কৰে। এই সমাৰোহত ১৬ খন জিলা শাখাৰ ১৫০০ মইনাই অংশ গ্ৰহণ কৰিছিল। সমাৰোহৰ মুকলি সভাত আইতা নিৰদাৰালা শইকীয়াক সম্বৰ্দ্ধনা জনোৱা হয়।

সমাৰোহৰ পতাকা উত্তোলন কৰে যোৰহাট জিলা মইনা পাৰিজাতৰ মইনা শ্ৰী পিণ্টু প্ৰতীম ভৰালীয়ে। মুকলি সভাৰ সভাপতিত্ব কৰে কলিয়াবৰ জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীআৰতি ভৰালীয়ে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে আইতা বসুন্ধৰা শইকীয়াই (তিতাবৰ), মুখপত্ৰ উন্মোচন কৰে শ্ৰীশান্তনু তামুলীয়ে (সম্পাদক, মৌচাক, নতুন আৱিষ্কাৰ), নিৰ্দিষ্ট বক্তা মইনা শ্ৰীদেৱজিত শৰ্মা (তেজপুৰ), শ্ৰীনীলাক্ষি দেৱী (মঙলদৈ), বিভিন্ন প্ৰতিযোগিতা উন্মোচন কৰা মইনাসকল— খেল-ধেমালি ঃ শ্ৰী শংকৰজ্যোতি ৰাজখোৱা (গোলাঘাট), আবৃত্তি ঃ শ্ৰীননী দাফলাৰি (ধেমাজি), চিত্ৰাংকন ঃ শ্ৰী জয়ন্তজিৎ বৰদলৈ (ধনশিৰি), প্ৰশ্নোত্তোৰ ঃ মনালিছা সোণোৱাল (ডিব্ৰুগড়), সাংস্কৃতিক অনুষ্ঠান ঃ শ্ৰীদেৱযানি বৰা (উত্তৰ লখিমপুৰ)।

**সপ্তম শিশু সমাৰোহ** ঃ গোলাঘাট নগৰত ১২, ১৩, ১৪ আৰু ১৫ অক্টোবৰ, ১৯৯৭ তাৰিখে গোলাঘাট জিলা মইন পাৰিজাতৰ আমন্ত্ৰণত অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি শ্ৰী মাখন প্ৰসাদ দুৱৰা, সাধাৰণ সম্পাদক ডঃ অমৰেন্দ্ৰনাথ দত্ত। উক্ত সমাৰোহত ১৪০০ মইনাই অংশগ্ৰহণ কৰে। সমাৰোহত আন্তঃৰ্জাতিক খ্যাতিসম্পন্ন প্ৰকৃতিপ্ৰেমী পদ্মশ্ৰী ৰবীন বেনাৰ্জিক সম্বৰ্ধনা জনোৱাৰ উপৰি মইনা পাৰিজাতৰ প্ৰবীণ কৰ্মী গোবিন্দ চন্দ্ৰ পৈৰা (কহিমা), মঃ কুটুবুদ্দিন আহমেদ (উত্তৰ লখিমপুৰ) দেৱক সম্বৰ্ধনা জনোৱা হয়। সমাৰোহৰ পতাকা উত্তোলন কৰে শ্ৰী পল্লৱজ্যোতি বৰা (মইনা, গোলাঘাট জিলা মইনা পাৰিজাত)। মুকলি সমাৰোহৰ সভাপতিত্ব কৰে শ্ৰীশ্ৰুতি শৰ্মা (মইনা, তেজপুৰ জিলা মইনা পাৰিজাত), মইনা অতিথি শ্ৰী অৰিন্দম বৰবৰা (তিনিচুকীয়া), মইনা নিৰ্দিষ্ট বক্তা শ্ৰী টীনা মেধী (গুৱাহাটী), শ্ৰীকংকনা বৰা (ধনশিৰি), সভা উদ্ধোধন কৰে শিশুপ্ৰেমী ৰাম শৰ্মাদেৱে।

**অষ্টম শিশু সমাৰোহ ঃ** (ক) আৰম্ভণি অনুষ্ঠান ঃ সদৌ অসম মইনা পাৰিজাতৰ ১৯৯৯ চনত পঞ্চশ বছৰ পূৰ্ণ হৈছে। সেয়ে ১৯৯৯ চনৰ গোটেই বছৰটো বিভিন্ন কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ হিচাপে পালন কৰা হ'ল। কাৰ্যসূচীৰ ভিতৰত প্ৰতি জিলাত ১ জানুৱাৰী, ১৯৯৯ সোণালী বৰ্ষ আৰম্ভণি অনুষ্ঠান, প্ৰতীক চিহ্ন, সমবেত সংগীত, ধ্বনি প্ৰতিযোগিতাৰ লগতে সমাৰোহৰ লগত বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

২৩ আৰু ২৪ জানুৱাৰী ১৯৯৯ তাৰিখে গুৱাহাটী জিলা মইনা পাৰিজাতৰ সৌজন্যত মইনাখোৰোং মইনা পাৰিজাতৰ সহযোগত সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান বৰ জাক-জমকেৰে অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠান অসমৰ ৰাজ্যপাল লেফটেণ্ট জেনেৰেল এচ. কে. সিনহা মহোদয়ে উদ্ধোধন কৰে।

সোণালী জয়ন্তীৰ বৰ্ষ উপলক্ষে ২৮-৩১ জানুৱাৰীলৈ ১৯৯৯ মাজুলীত , ২৯ জানুৱাৰী ১ ফেব্ৰুৱাৰীত গোলাঘাটত, ফেব্ৰুৱাৰী ১৫-১৭ লৈ তেজপুৰত, এপ্ৰিল ৯-১২ লৈ যোৰহাটত, এপ্ৰিল ১৭-২১ লৈ কলিয়াবৰত, মে' ২৩ ডিব্ৰুগডত্, মে' ২৯-৩১ লৈ শিৱসাগৰত, জুলাই ১৮ তিনিচুকীয়াত, জুলাই ২৭ ধনশিৰিত, আগষ্ট ২২ নগাঁওত, আগষ্ট ২৯ দেৰগাঁওত শিশু একাংকিকা নাট প্ৰতিযোগিতা আৰু ছেপ্টেম্বৰৰ ১২ তাৰিখে উত্তৰ লখিমপুৰ জিলাই বিভিন্ন কাৰ্যসূচী পালন কৰে।

(খ) সামৰণি অনুষ্ঠান ঃ ২৬, ২৭, ২৯ ডিচেম্বৰ ১৯৯৯ চনত বিশ্বনাথ চাৰিআলিত তেজপুৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত অষ্টম শিশু সমাৰোহ আৰু সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান হয়। আদৰণি সমিতিৰ সভাপতি শ্ৰী নৰকুমাৰ চেতিয়া, উপায়ুক্ত শোণিতপুৰ, কাৰ্যকৰী সভাপতি ডাঃ কোমেশ্বৰ বৰা আৰু সাধাৰণ সম্পাদক শ্ৰী জিতেন ভাগৱতী ( প্ৰাক্তন সভাপতি)। এই সমাৰোহত ২২০০ মইনা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। মুকলি সভাৰ সভানেত্ৰী শিৱসাগৰ জিলা মইনা পাৰিজাতৰ মইনা শ্ৰীজুৰি গগৈ, পতাকা উত্তোলক তেজপুৰৰ মইনা শ্ৰীৰশ্মিৰাণী দেৱী। সমাৰোহত পদ্মাৱতী দেৱী (নগাঁও), ভোলা হাজৰিকা (দেৰগাঁও) আৰু শ্ৰী তিৰ্থেশ্বৰ শৰ্মা (বিশ্বনাথ চাৰিআলি) দেৰক সম্বৰ্ধনা জনোৱা হয়।

সদৌ অসম মইনা পাৰিজাতৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফল ঃ

ধ্বনি প্ৰতিযোগিতাৰ ফলাফল ঃ প্ৰথম- 'আমি অকণি উজ্জ্বল তৰা - জিলিকাম আমি এই ধৰা' - তেজপুৰ জিলা মইনা পাৰিজাতৰ প্ৰভাতী মইনা পাৰিজাত (স্বীকৃতি নং- ৬৪৯), সঙ্গীয়া মাজৰ চুক, জামুগুৰি। দ্বিতীয়- 'যদিও আমি অকণি- আমি সজাম ধৰণী' - কলিয়াবৰ জিলা মইনা পাৰিজাত। তৃতীয়- (ক) 'আমি সত্য পথৰ যাত্ৰী' -নগাঁও জিলা মইনা পাৰিজাত; (খ) 'মইনা আমি আলোক সন্ধানী' -উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাত।

প্ৰতীক চিহ্ন ঃ প্ৰথম- তেজপুৰ জিলা মইনা পাৰিজাতৰ বীণাপানি মইনা পাৰিজাত, স্বীকৃতি নং- ৪১৫, জামুগুৰি। দ্বিতীয়- যোৰহাট জিলা মইনা পাৰিজাত। তৃতীয়- (ক) ধনশিৰি জিলা মইনা পাৰিজাত; (খ) গুৱাহাটী জিলা মইনা পাৰিজাত।

**নৱম শিশু সমাৰোহ** ঃ গুৱাহাটী জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণ ক্ৰমে ৪, ৫, ৬ আৰু ৭ জানুৱাৰী ২০০২ তাৰিখত লখৰাত নৱম শিশু সমাৰোহ অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক হেমন্ত তালুকদাৰ, কাৰ্যকৰী সভাপতি শিশু বন্ধু নন্দেশ্বৰ শৰ্মা, সাধাৰন সম্পাদক শ্ৰী অনিল কুমাৰ শৰ্মা আৰু সম্পাদক শ্ৰী ৰাতুল বৰা আৰু কোষাধ্যক্ষ শ্ৰী বিজয় বড়ো। সমাৰোহৰ প্ৰতিনিধি শিবিৰ উদ্বোধন কৰে স্বাস্থ্য মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন (প্ৰাক্তন মন্ত্ৰী), পতাকা উত্তোলন কৰে মইনা শ্ৰীশিখামণি বেজবৰুৱাই, মুকলি সভাৰ সভানেত্ৰীত্ব কৰে নগাঁৰৰ মইনা শ্ৰী পংকজা বৰাই। পতাকা উত্তোলনৰ বিশিষ্ট অতিথি অসম আৰক্ষী বিভাগৰ উপ-আৰক্ষী সঞ্চালক শ্ৰীপল্লৱ কুমাৰ ভট্টাচাৰ্যই । সমাৰোহত অসমৰ মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱে(সদৌ অসম মইনা পাৰিজাতৰ প্ৰাক্তন কোষাধক্ষ্য) মুকলি সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰি বাল্যকালত মইনা আৰু পাছত কৰ্মী হিচাপে মইনা পাৰিজাতৰ লগত থকা তেখেতৰ সম্পৰ্কৰ কথা সদৰী কৰে। মুখ্য মন্ত্ৰী মহোদয়ে গুৱাহাটীত মইনা পাৰিজাতক মাটি আবণ্টন দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে উত্তৰ লখিমপুৰৰ ডালিমী বৰাই মইনা পাৰিজাতলৈ মুঠ এক লাখ টকা দানসূত্ৰে আগবঢ়ায় (উত্তৰ লখিমপুৰ জিলা পাৰিজাতলৈ ৫০ হাজাৰ আৰু জিলা পাৰিজাতলৈ ৫০ হাজাৰ)। সমাৰোহৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে প্ৰাক্তন মইনা তথা বৰ্তমান পুলিচ বিভাগৰ উচ্চ পদস্থ বিষয়া শ্ৰীভাস্কৰজ্যোতি মহন্ত আৰু শিল্পী শ্ৰীৰমেন চৌধুৰীয়ে। স্মৃতিগ্ৰন্থ 'দেৱদূত' উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ- সভাপতি শ্ৰী ৰংবং টেৰাঙে। সমাৰোহত মুঠ ১৯০০ মইনাই অংশগ্ৰহণ কৰিছিল। সমাৰোহৰ শ্ৰেষ্ঠ জিলা উত্তৰ লখিমপুৰ মইনা পাৰিজাত। এই সমাৰোকত প্ৰক্তন সভানেত্ৰী কমল কুমাৰী বৰুৱা আৰু প্ৰক্তন সাধাৰন সম্পাদক ৰত্ন কুমাৰ গৌতমক এই সমাৰোহত সম্বৰ্ধনা জনোৱা হয়।

**দশম শিশু সমাৰোহ** ঃ ৫, ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰী, ২০০৪ তাৰিখে তিতাবৰ জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণ ক্ৰমে তিতাবৰ মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত 'বসুন্ধৰাক্ষেত্ৰ'ত অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি যোৰহাট জিলাৰ উপায়ুক্ত ডঃ ৰবি কোটা। কাৰ্যকৰী সভাপতি প্ৰফুল্ল শইকীয়া, সাধাৰণ সম্পাদক ডাঃ মণ্টুমণি দত্ত। সমাৰোহত অংশগ্ৰহণ কৰা মইনাৰ সংখ্যা ১৩৫০ জন। সমাৰোহৰ পতাকা উত্তোলন কৰে তিতাবৰৰ মইনা শ্ৰী সমাদৃতা বৰকাকতিয়ে। মুকলি সভাৰ সভানেতৃত্ব কৰে মঙলদৈৰ মইনা শ্ৰী হিমাদ্ৰী নাথে। স্মৃতিগ্ৰন্থ 'মুকুতামণি' উন্মোচন কৰে 'আমাৰ অসম' কাকতৰ যোৰহাটৰ আবাসিক সম্পাদক শ্ৰী প্ৰফুল্ল ৰাজগুৰুৱে। মুকলি শিশু সমাৰোহ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ কুলেন্দু পাঠকে। নিৰ্দিষ্ট বক্তাসকল আছিল মইনা শ্ৰীদেৱপ্ৰসাদ ৰাজবংশী, গোলাঘাট, শ্ৰীপৰশপ্ৰতীম নেওগ, যোৰহাট, মইনা অতিথিসকল শ্ৰীবিকাশ বৰা, উত্তৰ লখিমপুৰ, শ্ৰীগৌৰৱজ্যোতি ভূএঞা, শিৱসাগৰ। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ মুখ্য মন্ত্ৰী তৰুণ গগৈদেৱে শিশুৰ উপযোগী হোৱাকৈ গ্ৰাম্য পুথিভঁৰাল খোলাৰ লগতে মইনা পাৰিজাতৰ পুঁজিলৈ পাঁচ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সমাৰোহত প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰী হেমন্ত বৰদলৈ আৰু শিশু কৰ্মী বৰহোলাৰ নবীন সোণোৱালক সম্বৰ্ধনা জনোৱা হয়। সমাৰোহৰ শ্ৰেষ্ঠ জিলা সন্মান লাভ কৰে গোলাঘাট জিলা মইনা

পাৰিজাতে।

**একাদশ শিশু সমাৰোহ ঃ** উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত ২৮, ২৯, ৩০ আৰু ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰী ২০০৬ তাৰিখে বিহপুৰীয়াত একাদশ শিশু সমাৰোহ অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি শ্ৰী গোলোক চন্দ্ৰ হাজৰিকা, কাৰ্যকৰী সভাপতি শ্ৰীহৰেন্দ্ৰনাথ দত্ত আৰু সাধাৰণ সম্পাদক শ্ৰী খগেন্দ্ৰনাথ শইকীয়া। সমাৰোহত মুঠ ১৫৪৮ মইনা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। সমাৰোহৰ পতাকা উত্তোলন কৰে মইনা শ্ৰীনীলম শইকীয়াই। মুকলি সমাৰোহত সভাপতিত্ব কৰে যোৰহাটৰ মইনা শ্ৰীজাৰ্নেলিম বৈৰাগীয়ে। সমাৰোহত প্ৰাক্তন সাধাৰণ সম্পাদক ভবানন্দ গোস্বামী (তেজপুৰ), শিশু ভাস্কৰ ৰবীন্দ্ৰনাথ শৰ্মা (গুৱাহাটী) আৰু পূৰ্ণকান্ত ভাগৱতী (মঙলদৈ)ক সম্বৰ্ধনা জনোৱা হয়। লগতে মইনা পাৰিজাতৰ পুঁজিলৈ দান আগবঢ়োৱা দাতা উত্তৰ লখিমপুৰৰ ডালিমী বৰাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

**দ্বাদশ শিশু সমাৰোহ** ঃ শিৱসাগৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত২৬-২৯ ডিচেম্বৰ ২০০৭ ত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছিল যদিও অসমত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱাত সমাৰোহ ১-৪ ফেব্ৰুৱাৰী ২০০৮ত অনুষ্ঠিত কৰা হয়। আদৰণি সমিতিৰ সভাপতি উপায়ুক্ত নৱাৱ মামুদ হুছেইন, কাৰ্যকৰী সভাপতি ড° হেমন্ত কুমাৰ ফুকন আৰু সাধাৰণ সম্পাদক শ্ৰীমোহন চন্দ্ৰ দত্ত। এই সমাৰোহতো সদৌ অসম মইনা পাৰিজাতে পাৰিজাতৰ প্ৰথম সৰ্বাধিনায়িকা পদ্মশ্ৰী নলিনীবালা দেৱী, মইনা পাৰিজাতৰ প্ৰথম সভাপতি মহাদেৱ বৰ্মা আৰু প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক ত্ৰৈলোক্যনাথ শৰ্মাক পাৰিজাতৰ সৰ্বোচ্চ সন্মান 'পাৰিজাত ৰত্ন' মৰণোত্তৰভাৱে প্ৰদান কৰি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ইয়াৰ উপৰি সদৌ অসম মইনা পাৰিজাতৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা শ্ৰীযুত হেমন্ত বৰদলৈক শিশু মহীয়ান উপাধি প্ৰদান কৰা হয়। এই সমাৰোহতে শিশু বন্ধু শ্ৰীভৱেন্দ্ৰনাথ দত্ত (প্ৰাক্তন সভাপতি),শিশুবন্ধু শ্ৰীজিতেন ভাগৱতী (প্ৰাক্তন সাধাৰণ সম্পাদক), শিশু বন্ধু শ্ৰীকৃষ্ণকান্ত কলিতা (শিৱসাগৰ), শ্ৰী যোগেশ্বৰ বৰা (গোলাঘাট), হৰেন্দ্ৰমোহন মেধি (বৰপেটা), শ্ৰী প্ৰাণনাথ বৰঠাকুৰ (জামুগুৰিহাট), শ্ৰী ৰত্নেশ্বৰ নাথ (কলিয়াবৰ), শ্ৰীযুক্তা কমলা বৰুৱা (তেজপুৰ), শ্ৰী নবীন চন্দ্ৰ দত্ত (গোলাঘাট), নগেন্দ্ৰনাথ চক্ৰৱৰ্তী (ডিব্ৰুগড়)ক সম্বৰ্ধনা জনোৱা হয়। সমাৰোহৰ পতাকা উত্তোলন কৰে শিৱসাগৰৰ মইনা শ্ৰীবিকাশ বিনীত ভট্টাচাৰ্য আৰু মুকলি সভাৰ সভাপতিত্ব কৰে ধেমাজিৰ মইনা শ্ৰীবিশ্বনাথ দত্তই। এই সমাৰোহত প্ৰথম বাৰৰ বাবে প্ৰাক্তন মইনা (চেমনীয়া)ৰ সকলৰ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিষয় ঃ শিশুক সুৰক্ষা প্ৰদান কৰা মইনা পাৰিজাতৰ দায়িত্ব।

**এয়োদশ শিশু সমাৰোহঃ** মঙলদৈ জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণক্ৰমে ৭, ৮, ৯, ১০ জানুৱাৰী ২০১০ তাৰিখত মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি দৰং জিলাৰ উপায়ুক্ত শ্ৰীধ্ৰুৱ হাজৰিকা, কাৰ্যকৰী সভাপতি কবি সাহিত্যিক শ্ৰীইদ্ৰিছ আলী, সাধাৰণ সম্পাদক শ্ৰীৰাজীৱ কুমাৰ ডেকা। সমাৰোহৰ বিভিন্ন কাৰ্যসূচীৰ উদ্বোধকসকল ক্ৰমে- চিকিৎসা শিবিৰ- ডা° ব্ৰজেন্দ্ৰ নাথ শৰ্মা, প্ৰতিনিধি শিবিৰ- কৰ্ণেল অজিত কুমাৰ শৰ্মা, সু-স্বাস্থ্য উন্নতিৰ সোপান শীৰ্ষক স্বাস্থ্য অনুষ্ঠান- ডাঃ প্ৰাকৃতিশ বৰা, আদৰণি আৰু পৰিচয় প্ৰদান অনুষ্ঠান- শ্ৰীযুত ফুলেন্দ্ৰ নাথ চহৰীয়া, স্মৃতিগ্ৰন্থ 'পখিলা' উদ্বোধন কৰে নুমলিগড় ৰিফাইনেৰিৰ পৰিচালন সঞ্চালক ড° ভূপতি কুমাৰ দাসে। সমাৰোহৰ পতাকা উত্তোলন কৰে মংগলদৈৰ মইনা শ্ৰীসাগৰীকা মাইনী মহন্তয়ে।

সমাৰোহৰ খেল আৰু সাহিত্য প্ৰতিযোগিতাৰ উদ্বোধকসকল ক্ৰমে খেল- শিৱসাগৰৰ মইনা শ্ৰীপবিত্ৰপ্ৰাণ শইকীয়া, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা- তেজপুৰৰ শ্ৰীপ্ৰেৰণা দাস, আকস্মিক বক্তৃতা- ধেমাজিৰ শ্ৰীৰিদিপ দত্ত, আবৃত্তি- গোলাঘাটৰ শ্ৰীকল্যাণজ্যোতি বৰা, যোৰহাটৰ শ্ৰীঅংগনা শইকীয়া, ডিব্ৰগড়ৰ শ্ৰীসংযুক্তা সোণোৱাল, অভিজিত কুমাৰ গোস্বামী সোঁৱৰণী চেমনীয়াৰ তৰ্ক প্ৰতিযোগিতা (বিষয়-শিক্ষা ব্যৱস্থাত টিউচনে উপকাৰ সাধিছে) গুৱাহাটীৰ শ্ৰীবিদৰ্ভ বাসৱ বৰা, সমবেত সংগীত- লখিমপুৰৰ শ্ৰীজুবিন চাংমাই। মুকলি সভাৰ সভাপতি-মাজুলীৰ শ্ৰীপ্ৰীতম পল্লৱ বৰা, উদ্বোধক- মঙলদৈৰ শ্ৰীপ্ৰস্তুতি ভটাচাৰ্য, নিৰ্দিষ্ট বক্তা মইনা শ্ৰীহৰ্ষপ্ৰতীম হাজৰিকা, লখিমপুৰ, শ্ৰীমুকুন্দ বৰা, গোলাঘাট, মইনা অতিথি- সৰ্বশ্ৰী অনুভৱ কলিতা, যোৰহাট, ৰিমন ভাগৱতী, তেজপুৰ, অভিজ্ঞান প্ৰিয়ম শইকীয়া, বোকাখাত, দীক্ষা শৰ্মা, গুৱাহাটী, মৌ-মাত- ভাগ্যশ্ৰী ডেকা, মঙলদৈ, সৌম্যপ্ৰভা কছাৰী, ডিব্ৰুগড়, পলাশ জ্যোতি বৰা, শিৱসাগৰ, দীক্ষিতা শইকীয়া, তিতাবৰ, বিশ্বজ্যোতিস্মান চুতীয়া, ধেমাজি। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শ্ৰীৰকিবুল হুছেইন আৰু বিধায়ক শ্ৰীবিনন্দ শইকীয়া। এই সমাৰোহত শিশুসেৱাৰ লগত জড়িত ৪ জনক শিশু মহীয়ান, ৫ জন ব্যক্তিক শিশুবন্ধু, আৰু ২৪ জনক সম্বৰ্ধনা জনোৱা হয়।

এই সমাৰোহৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অন্তৰংগ অনুষ্ঠানত অভিনেতা শ্ৰীপ্ৰাঞ্জল শইকীয়া আৰু সাংস্কৃতিক কৰ্মী শ্ৰীমধুসূদন দাসে অংশগ্ৰহণ কৰে। শিশুসকলক বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে এটি বিজ্ঞানভিত্তিক অনুষ্ঠান পৰিৱেশন কৰে বিশিষ্ট শিক্ষাবিদ, প্ৰবন্ধকাৰ ডঃ লক্ষীধৰ বৰুৱা দেৱে।

**চতুৰ্দশ শিশু সমাৰোহঃ** ২৬,২৭,২৮ আৰু ২৯ ডিচেম্বৰ ২০১৩ তাৰিখে তেজপুৰ জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণ

ক্ৰমে তেজপুৰ কলেজিয়েত উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই সমাৰোহ অনুস্থিত হয়। সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰী ৰাজেন বৰঠাকুৰ (বিধায়ক,তেজপুৰ বিধান সভা),কাৰ্যকৰী সভাপতি-সৰ্বশ্ৰী শেখৰ বৰুৱা, কমল চন্দ্ৰ ভূঞা, সাধাৰণ সম্পাদক শ্ৰীমৃদুল কুমাৰ শৰ্মা,যুটীয়া সম্পাদক- ৰাণা বেজবৰুৱা,চিত্তৰঞ্জন নাথ। সমাৰোহৰ পতাকা উত্তোলক-মইনা দিভিজা দিব্যজ্যোতি তালোকদাৰ (তেজপুৰ), বিভিন্ন কাৰ্যসূচীৰ উদ্ধোধকসকল ক্ৰমে শিবিৰ-অধ্যক্ষ,তেজপুৰ কলেজিয়েত উচচ মাধ্যমিক বিদ্যালয়, আদৰণি সভা- শ্ৰী ললিত চন্দ্ৰ গগৈ,উপায়ুক্ত-শোনিতপুৰ,ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ডেৰশ বছৰীয়া জন্ম জয়ন্তী আনুস্থান-ড° স্বাধীনতা মহন্ত, শিশু বন্ধু নন্দেশ্বৰ শৰ্মা সোঁৱৰণি সাংস্কৃতিক অনুস্থান-ড° চাৰু চহৰীয়া,অধ্যক্ষ,তেজপুৰ মহাবিদ্যালয়,খেল ধেমালি- মইনা বাস্তৱ বুঢ়াগোহাঁই (চৰাইদেউ),আকস্মিক বত্তৃতা- চিএাংকন - মইনা বৈশালী হাজৰীকা (লকখীমপুৰ),প্ৰশ্নোতৰ- মইনা গ্ৰাৰ্চী দত্ত (ড্ৰিব্ৰুগড়),কবিতা-মইনা ভাস্বতী কেওট (তেজপুৰ),প্ৰৰ্দশনী-সঞ্জীৱনী বৰা (নগাঁও), চেমনীয়া তৰ্ক প্ৰতিযোগিতা-বিদ্যুত বিকাশ বৰা (গোলাঘাট), সমবেত সংগীত-সৌম্যদ্বীপ দত্ত (শি ৱসাগৰ)। ৰাতুল বৰাৰ সম্পদনাত প্ৰকাশিত মইনা পাৰিজাতৰ 'ইতিসাহ' উদ্বোধন কৰে আউনিআতিয় সএৰ সএাধিকাৰ ড. পিতাম্বৰ দেৱগোশ্বামীদেবে। মইনাৰ অসম কন্ঠ প্ৰতিযোগিতা উদ্বোধন কৰে অনাতাঁৰ শিল্পী শ্ৰীযুক্তা দুৰ্গামিয়ী বৰায়ে।সমাৰোহৰ মুকলি সভাৰ সভাপতি তিতাবৰৰ মইনা প্ৰণামিকা বৰা,নিৰ্দিষ্ট বক্তা মইনা কৃষ্ণাশ্ৰী বৰা (বোকাখাত), মইনা অতিথি-ভূৰ্চনা কোঁৱৰ (গুৱাহাটী),ৰাখী বৰা (লখীমপুৰ),চুম্পী গগৈ (শিৱসাগৰ),দীপলু বৰা (যোৰহাট), মইনাৰ মৌমাত- মিস্কীবিচি সেনাপতি (ডিব্ৰুগড়),প্ৰাপ্তী বৰা (গোলাঘাট),শান্তীপ্ৰিয়া দত্ত (ধেমাজি)। মুকলি সমাৰোহৰ মুখ্য অতিথি অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত ইমৰান শ্বাহ। তৃতীয় দিনৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে সাংস্কৃতিক সঞ্চালকালয়ৰ শ্ৰীযুত ৰবীন ডেকায়ে।

**পঞ্চৰ্দশ শিশু সমাৰোহঃ** ২৬,২৭,২৮ আৰু ২৯ ডিচেম্বৰ ২০১৫ তাৰিখে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণ ক্ৰমে দুলিয়াজান তৈল্য নগৰিৰ বিহু বাকৰিত পঞ্চৰ্দশ সমাৰোহ অনুস্থিত হয়। জয়ন্ত কুমাৰ বৰগোহাঁই আৰু মাধৱ বুঢ়াগোহাঁই ক ক্ৰমে সভাপতি আৰু মুখ্য সম্পাদক হিচাপে লৈ গঠিত আদৰণি সমিতিৰ নেতৃত্বত সমাৰোহখনি সফলতাৰে অনুস্ঠিত হয়। সমাৰোহৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড়ৰ মইনা ডলিস্মিতা দাসে। খেল ধেমালি, আকস্মিক বক্তৃতা, চিত্ৰাংকন, প্ৰশ্নোত্তৰ আৰু আবৃত্তিপ্ৰতিযোগিতা উদ্ধোধন কৰে ক্ৰমে প্ৰাক্তন মইনা ডিম্পী বৰা (ধেমাজিৰ), হিমাংশু শইকিয়া (লখিমপুৰ), চন্দনজিৎত গগৈ (গোলাঘাট), স্পন্দন কাশ্যপ (যোৰহাট) আৰু ভাস্বতী কলিতা (মংগলদৈ) য়ে। প্ৰদশনীৰ দ্বাৰ উন্মোচন কৰে তেজপুৰৰ প্ৰাক্তন মইনা অভিনয়ন গজিৰেলে। চেমনীয়াৰ তৰ্ক প্ৰতিযোগিতা (বিষয়-নীতি শিক্ষা অধ্যয়ন অবিহনে নৈতিক চৰিত্ৰ গঠন হব নোৱাৰে) আৰু সমবেত সংগীত উদ্ধোধন কৰে প্ৰাক্তন মইনা ক্ৰমে শিৱসাগৰৰ সুকন্যা গোহাঁই আৰু কলিয়াবৰৰ পূবাৰ্থী কাকতিয়ে। সমাৰোহৰ প্ৰতিনিধি শিবিৰ উদ্ধোধন কৰে শিশু মহীয়ান বদন চন্দ্ৰ ভুঞা য়ে। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে ৰাজীব কুমাৰ শইকীয়ায়ে। গ্ৰন্থ উন্মোচনী সভাৰ বিশিষ্ট অতিথি প্ৰাক্তন ম্‌না ডা: নীলাক্ষী চলিহা গগৈ আৰু মুখ্য গ্ৰন্থ উন্মোচক ডুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পূৰ্ণ কান্ত হাজৰীকা। ২৬ আৰু ২৭ ডিচেম্বৰ ২০১৫ তাৰিখে সন্ধ্যা অনুষ্ঠিত কমল কুমাৰী বৰু ৱা সোঁৱঁৰণী মইনাৰ সাংস্কৃতিক অনস্থান ৰামধেনু উদ্ধোধন কৰে ক্ৰমে ডুলীয়াজান মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড: সুৰেণ গগৈ আৰু চলচিত্ৰ পৰিচালক যদুমণি দত্তয়ে। ডুলীয়াজান অইলৰ জনসম্পৰক্ষী বিষয়া প্ৰাণজিত ডেকায়ে সাংস্কৃতিক শোভাযাত্ৰা উদ্ধোধন কৰে। সমাৰোহৰ মুকলি সভাৰ সভাপতি বোকাখাতৰ মইনা সুকন্যা ওৱাং আৰু উদ্ধোধক ডিব্ৰুগড়ৰ প্ৰজ্বলিতা গগৈ। মুখ্য অতিথি অসম মাধ্যমিক শিক্ষা পৰিষদৰ সচিব তথা প্ৰক্তন মইনা শ্ৰী যুত কমল জ্যোতি গগৈ, ডুলীয়াজান অইলৰ সমুহ মহাপ্ৰৱন্ধক বিজয় কুমাৰ বাৰ্মা আৰু মুৰব্বী প্ৰসাশক গোলাপ চন্দ্ৰ মেধি। মইনা নিদিষ্ট বক্তা ক্ৰমে প্লাৱন কলিতা (গোলাঘাট), স্বাগতা শইকীয়া (মাজুলী),প্ৰিয়ংকু চেতিয়া (চৰাইদেউ), নৱজ্যোতি নেওঁগ (তিতাবৰ), চিন্ময়ী গগৈ ( শিৱসাগৰ), জাহ্নৱী বৰা (লখিমপুৰ), প্ৰজ্বলিতা ভূঞা ( ডিব্ৰুগড়)। মইনা অতিথি ক্ৰমে হিমাংশু শইকীয়া (কলিয়াবৰ), মানস গগৈ (তেজপুৰ), অভিজ্ঞান হাজৰীকা ( যোৰহাট)। মইনাৰ মৌমাতত অংশ গ্ৰহণ কৰে আস্থা হাটীকাকটি (গুৱাহাটী), বৰষা ডেকা (মংগলদৈ), চন্দন বৰুৱা ( ধেমাজী)। ২৮ ডিচেম্বৰ ২০১৫ তাৰিখে অনুষ্ঠিত আদৰণি সমিতিৰ সাংস্কৃতিক অনুষ্ঠান 'ৰং' উদ্ধোধন কৰে নীপকু (বকুলনী) ৰ প্ৰকল্প মুৰব্বী হৰিকৃষ্ণ চাংমাই দেৱে। পঞ্চদশ সমাৰোহত শিশুৰ শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশত আগবঢ়োৱা অৱদানৰ বাবে শিশু মহীয়ান আৰু শিশু বন্ধু উপাধিৰে বিভূষিত কৰা ব্যক্তি সকলৰ নাম উল্লেখ কৰিছো। **শিশু মহীয়ান**- কৰুণা শৰ্মা বৰুৱা (বিশ্বনাথ), দেৱেন্দ্ৰ নাথ ভূঞা (গোলাঘাট), বেনুধৰ কাকতি (তেজপুৰ), সুভদ্ৰা শইকীয়া (মাজুলী), নৃপেন্দ্ৰ কুমাৰ ফুকন (লখিমপুৰ),তৰুণ বৰা (মাজুলী), অতুল বৰা (যোৰহাট)।

**শিশু বন্ধু** - বীৰেন্দ্ৰ নাথ শইকীয়া (গোলাঘাট),চিদানন্দ্ৰ গোস্বামী (কলিয়াবৰ), ম. ইমৰাণ হুছেইন (গোলাঘাট), টংকেশ্বৰ দূৱৰীয়া (মাজুলী),দিলীপ কুমাৰ বৰুৱা (যোৰহাট), ৰোহিণী কুমাৰ দত্ত (গোলাঘাট), বীৰেন শইকীয়া (লখিমপুৰ), পুলিন কাকটী (তিতাবৰ), চন্দ্ৰকান্ত শইকীয়া ( গহপুৰ) , ঘনকান্তী দেৱী (তেজপুৰ), প্ৰসেনজিৎ কুমাৰ গোস্বামী (ডিব্ৰুগড়), ভীমকান্ত কোৱঁৰ (ডিব্ৰুগড়), লক্ষীপ্ৰভা বুঢ়াগোহাঁই (শিৱসাগৰ), ৰুপেশ্বৰ বৰুৱা (লখিমপুৰ) বিপুল বৰা ( যোৰহাট) ।**সমন্বিত**

**ব্যক্তি সকল** হ'ল- সৰ্বশ্ৰী হৰেন্দ্ৰ নাথ দত্ত (যোৰহাট), ৰুনু নাথ (মংগলদৈ), বাণীকান্ত ফুকন (গোলাঘাট), মাধৱী দাস বৰুৱা (মাজুলী), ফটিক শৰ্মা (যোৰহাট), লোকনাথ বৰা (গোলাঘাট), সোনাৰাম হাজৰীকা (লখিমপুৰ), বিপুল কাকতি (কলিয়াবৰ), পূৰ্ণানন্দ্ৰ বৰা (যোৰহাট), টংকেশ্বৰ শইকীয়া (কলিয়াবৰ), ৰূপধৰ কোৱঁৰ (গোলাঘাট), কৃষ্ণৰাম হাজৰীকা (মাজুলী), হেম হাজৰীকা (তিতাবৰ), অৰুণ কুমাৰ বৰদলৈ (ডুলীয়াজান), দিপীকা কটকী (ডুলীয়াজান), ৰাম বৰুৱা (শিৱসাগৰ)।

**ষষ্ঠদশ শিশু সমাৰোহ ঃ** কলিয়াবৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত ২৬-২৯ ডিচেম্বৰ ২০১৭ তাৰিখত কুৱঁৰীটোলৰ মুক্তিযুজাৰু ভৱন প্ৰাঙ্গণত চাৰিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম মইনা পাৰিজাতৰ ষষ্ঠদশ ৰাজ্যিক শিশু সমাৰোহ অনুস্থিত কৰা হয়। সদৌ অসম মইনা পাৰিজাতৰ সভাপতি মাননীয় শ্ৰীযুত কেশৱ মহন্ত দেৱৰ নেতৃত্বত পৰিচালিত সমাৰোহৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি শ্ৰীযুত পুলিন কাকতি আৰু শ্ৰীযুত নিৰ্মল বৰায়ে সাধাৰণ সম্পাদকৰ দ্বায়িত্ব পালন কৰিছিল।

এই অধিবেশনত শিশুৰ বাবে আগবঢ়োৱা সেৱাৰ স্বীকৃতি স্বৰূপে তলত উল্লেখিত ব্যক্তিসকললৈ নিম্ন উল্লেখিত উপাধি বা সন্মান প্ৰদান কৰা হয়।

শিশু মহীয়ান ঃ ১) শ্ৰীযুত জীতেন ভাগৱতী (প্ৰাক্তন সভাপতি, বিশ্বনাথ), ২) শ্ৰীযুক্তা পুতুলী হাজৰীকা (গোলাঘাট), ৩) শ্ৰীযুত ললিত মহন্ত (উত্তৰ লক্ষীমপুৰ)

শিশু বন্ধু ঃ ১) শ্ৰীযুত বাণী বৰুৱা, মাজুলী ২) শ্ৰীযুত ব্ৰজেন বৰা, তিতাবৰ ৩) শ্ৰীযুক্তা মামনী ভূঞা হাজৰীকা, কলিয়াবৰ ৪) শ্ৰীযুক্তা মাই বৰা, শিৱসাগৰ ৫) শ্ৰীযুক্তা ৰেখাৰাণী ৰাজখোৱা দত্ত, ধেমাজী ৬) ড° লোকেশ্বৰ নাথ, মঙলদৈ ৭) শ্ৰীযুত মোহন সোণোৱাল, ডিব্ৰুগড় ৮) শ্ৰীযুত ৰত্নকান্ত বৰা, গহপুৰ ৯) শ্ৰীযুক্তা কুসুম প্ৰভা বুঢ়াগোঁহাঞী, তিনিচুকীয়া ১০) শ্ৰীযুত গোবিন্দ মহন্ত, তিতাবৰ ১১) শ্ৰীযুত ইবিনাথ ৰাভা, মঙলদৈ ১২) শ্ৰীযুত প্ৰদীপ শইকীয়া, যোৰহাট

## সদৌ অসম মইনা পাৰিজাতৰ সাধাৰণ পৰিষদ সভা ঃ

**প্ৰথম পৰিষদ সভা** ঃ ২৫/৭/৭৬ তাৰিখে মাকুমত প্ৰথম পৰিষদ সভা অনুষ্ঠিত হয়। এই সভাত সভানেত্ৰী কমল কুমাৰী বৰুৱা, উপ-সভাপতি যথাক্ৰমে ভোলা হাজৰিকা (গোলাঘাট),পদ্মাৱতী দেৱী (নগাঁও), থানেশ্বৰ গোস্বামী (গুৱাহাটী), সাধাৰণ সম্পাদক ৰত্ন কুমাৰ গৌতম (গুৱাহাটী) সহঃ সম্পাদক শ্ৰী পৰমানন্দ দাস (তেজপুৰ), শ্ৰী হৰি বৰ্মন (নলবাৰী) আৰু শ্ৰী হিতেন বৰগোহাঁই, সংগঠক সম্পাদক শ্ৰী জিতেন ভাগৱতী (মংগলদৈ) শ্ৰী নিৰঞ্জন বৰা (নগাঁও) আৰু শ্ৰীবুধিন বৰুৱাক (যোৰহাট) নিৰ্বাচন কৰে।

**দ্বিতীয় পৰিষদ সভা** ঃ ১১/৯/৮২ আৰু ১২/৯/৮২ তাৰিখে মংগলদৈত দ্বিতীয় পৰিষদ সভা অনুষ্ঠিত হয। উক্ত পৰিষদত নিয়মাৱলী সংশোধন কৰি সাধাৰণ সম্পাদকৰ ওপৰিও এজন সম্পাদক লোৱা হয়। লগতে প্ৰতি শাখাত দহজন সহযোগী সদস্য লোৱা আৰু তেখেতসকলৰ বৰঙণি ধাৰ্য কৰা হয়। এই সভাত পুনঃ কমল কুমাৰী বৰুৱা সভানেত্ৰী, থানেশ্বৰ দেৱ গোস্বামীক সাধাৰণ সম্পাদক আৰু ৰত্ন কুমাৰ গৌতমক সম্পাদক নিৰ্বাচন কৰে। সংগঠক সম্পাদক হৰেন মেধি, শ্ৰী ভৱ শৰ্মা ভৰালী আৰু শ্ৰী পোনাৰাম বৰগোহাঁই, সহকাৰী সম্পাদক শ্ৰী নিৰঞ্জন বৰা, ভৱানন্দ গোস্বামী আৰু শ্ৰী জিতেন ভাগৱতী, উপ-সভাপতি হিচাপে ভোলা হাজৰিকা, পদ্মাৱতী দেৱী আৰু শ্ৰী বিশ্ব বৰুৱা নিৰ্বাচিত হয়।

**তৃতীয় পৰিষদ সভা** ঃ ১৭/১/৮৭ আৰু ১৮/১/৮৭ তাৰিখে পাঠশালাৰ চৌখুঁটিত তৃতীয় কেন্দ্ৰীয় পৰিষদ অনুষ্ঠিত হয়। উক্ত পৰিষদত কমল কুমাৰী বৰুৱা সভানেত্ৰী, ভৱানন্দ গোস্বামী, সাধাৰণ সম্পাদক, ৰত্ন কুমাৰ গৌতম সম্পাদক, শ্ৰী জিতেন ভাগৱতী, শ্ৰী নিৰঞ্জন বৰা, হৰেন্দ্ৰ মোহন মেধি সহকাৰী সম্পাদক, শ্ৰী ভৱ শৰ্মা ভৰালী, শ্ৰী নাৰায়ণ দাস, শ্ৰী পোনাৰাম বৰগোহাঁই সংগঠক সম্পাদক আৰু শ্ৰী ভৱানী মোহন গোস্বামীক কোষাধ্যক্ষ নিৰ্বাচন কৰে।

**চতুৰ্থ পৰিষদ সভা** ঃ ৭/৯/৯০ আৰু ৮/৯/৯০ তাৰিখে গুৱাহাটী বাল ভৱনত চতুৰ্থ কেন্দ্ৰীয় সাধাৰণ পৰিষদ অনুষ্ঠিত হয়। উক্ত পৰিষদত তলৰ বিষয়ববীয়াৰে কাৰ্য নিৰ্বাহক সভা গঠন কৰে। সভানেত্ৰী কমল কুমাৰী বৰুৱা, উপ-সভাপতি ভোলা হাজৰিকা, শ্ৰী বীৰেন দাস, শ্ৰী ফুলেন্দ্ৰ নাথ চহৰীয়া। সাধাৰণ সম্পাদক ভৱানন্দ গোস্বামী, সম্পাদক ৰত্ন কুমাৰ গৌতম, সহকাৰী সম্পাদক, শ্ৰী জিতেন ভাগৱতী, হৰেন্দ্ৰ নাথ মেধি, শ্ৰী বীৰেন কলিতা, কোষাধ্যক্ষ কন্দৰ্পেশ্বৰ শৰ্মা, সংগঠক সম্পাদক, শ্ৰী ভৱ শৰ্মা ভৰালী, শ্ৰী নাৰায়ণ দাস, শ্ৰী ভীমকান্ত কোঁৱৰ। সদস্য সৰ্বশ্ৰী— সৰ্বানন্দ দাস, খগেন্দ্ৰ নাথ তালুকদাৰ, গুণ বৰুৱা, ৰোহিণী গগৈ, যোগেশ্বৰ বৰা, হেমচন্দ্ৰ ভট্টাচাৰ্য, গোলাপ শইকীয়া, সত্যপ্ৰসাদ বৰদলৈ, ইন্দিৰা মিৰি,

পদ্মাৱতী দেৱী, ফুল কুমাৰী কলিতা, কমলা বৰুৱা, কৰুণা শৰ্মা বৰুৱা।

**পঞ্চম পৰিষদ সভা** ঃ ২৯/১/৯৪ আৰু ৩০/১/৯৪ তাৰিখে যোৰহাটত পঞ্চম কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সভা অনুষ্ঠিত হয়। উক্ত সভাত নিবাচিত হোৱা বিষয়ববীয়া ক্ৰমে সভাপতি কমল কুমাৰী বৰুৱা (গুৱাহাটী), উপ-সভাপতি ভোলা হাজৰিকা (গোলাঘাট), শ্ৰী ফুলেন্দ্ৰনাথ চহৰীয়া (মংগলদৈ), শ্ৰী কমলা বৰুৱা (তেজপুৰ), সাধাৰণ সম্পাদক ৰত্ন কুমাৰ গৌতম (গুৱাহাটী), সহঃ সম্পাদক শ্ৰী জিতেন ভাগৱতী (মংগলদৈ), শ্ৰী বীৰেন কলিতা (গোলাঘাট), শ্ৰী অতুল বৰা (যোৰহাট), সংগঠক সম্পাদক শ্ৰী ভীমকান্ত কোঁৱৰ (ডিব্ৰুগড়), শ্ৰী ভৱ শৰ্মা ভৰালী (উত্তৰ লখিমপুৰ), শ্ৰী বিচিত্ৰ ভূএগ (কলিয়াবৰ), কোষাধ্যক্ষ কন্দৰ্পেশ্বৰ শৰ্মা (গুৱাহাটী), সদস্যসকল সৰ্বশ্ৰী— ভৰেন দত্ত (যোৰহাট), তৰুণ চন্দ্ৰ সভাপণ্ডিত (যোৰহাট), খগেন্দ্ৰ নাথ তালুকদাৰ (বৰপেটা), গুণ বৰুৱা (শিৱসাগৰ), ৰোহিণী গগৈ (ধনশিৰি), অনিল কুমাৰ গোস্বামী (গোলাঘাট), মহেন্দ্ৰ নাথ (মংগলদৈ), প্ৰেমানন্দ নাথ (তেজপুৰ), ভৱদেৱ শৰ্মা (উত্তৰ লখিমপুৰ), গোলাপ চন্দ্ৰ শইকীয়া (কলিয়াবৰ), সত্য প্ৰসাদ বৰদলৈ (ধেমাজি), পোনাৰাম বৰগোহাঁই (তিনিচুকীয়া), নাৰায়ণ দাস (নগাঁও), সঞ্চালক, অসম চৰকাৰ, সমাজ কল্যাণ বিভাগ, সঞ্চালক, ৰাষ্ট্ৰীয় জন সহযোগ আৰু শিশু বিকাশ সন্থা, বেলতলা।

কৰ্ণধাৰ সভাৰ সদস্যসকল ঃ সভানেত্ৰী, সাধাৰণ সম্পাদক, সম্পাদক ক্ৰমে শ্ৰী ফুলেন্দ্ৰনাথ চহৰীয়া (মংগলদৈ), শ্ৰী ভৰেন দত্ত (যোৰহাট), শ্ৰী জিতেন ভাগৱতী (বিশ্বনাথ চাৰিআলি), প্ৰয়াত নন্দেশ্বৰ শৰ্মা (গুৱাহাটী)।

**ষষ্ঠ পৰিষদ সভা** ঃ ৭/৩/৯৮ আৰু ৮/৩/৯৮ তাৰিখে কলিয়াবৰ মহাবিদ্যালয়ত ষষ্ঠ কেন্দ্ৰীয় সাধাৰণ পৰিষদ অনুষ্ঠিত হয় আৰু এনে ধৰণে কাৰ্যকৰী সমিতি গঠন কৰে। মুখ্য পৃষ্ঠাপোষক ৰাজ্যপাল, অসম চৰকাৰ। পৃষ্ঠপোষক- ত্ৰৈলোক্য নাথ শৰ্মা, সভানেত্ৰী -কমল কুমাৰী বৰুৱা, উপ-সভাপতি- ভোলা হাজৰিকা, শ্ৰী ভৰেন দত্ত, শ্ৰী কমলা বৰুৱা, সাধাৰণ সম্পাদক -ভৱানন্দ গোস্বামী, সম্পাদক - ৰত্ন কুমাৰ গৌতম, কোষাধ্যক্ষ -শ্ৰী হাঁহিৰাম নাথ, সহ ঃ সম্পাদক -শ্ৰী জিতেন ভাগৱতী (মংগলদৈ), শ্ৰী অতুল বৰা (যোৰহাট), শ্ৰী যোগেশ্বৰ বৰা (লখিমপুৰ), সংগঠক সম্পাদক -শ্ৰী বীৰেন কলিতা, বিচিত্ৰ ভূএগ, নগেন্দ্ৰ নাথ চক্ৰৱতী, সদস্যসকল সৰ্বশ্ৰী— মহেন্দ্ৰ নাথ, (মংগলদৈ), প্ৰভাত দত্ত (উত্তৰ লখিমপুৰ), ললিত হাজৰিকা (মাজুলী), সুৰেশ বৰঠাকুৰ (তেজপুৰ), নিৰ্মল বৰা (কলিয়াবৰ), চন্দ্ৰ বৰুৱা (ধেমাজি), তৰুণ চন্দ্ৰ সভাপণ্ডিত (যোৰহাট), খগেন্দ্ৰ নাথ দুৱৰা (শিৱসাগৰ), অনিল কুমাৰ গোস্বামী (গোলাঘাট), মহেশ চন্দ্ৰ দেৱ (ধনশিৰি), পোনাৰাম বৰগোহাঁই (তিনিচুকীয়া), জিতেন ভাগৱতী (বিঃ চাৰিআলি), নন্দেশ্বৰ শৰ্মা (গুৱাহাটী), প্ৰশান্ত ফুকন (বোকাখাত), মামণি ভূএগ হাজৰিকা (কলিয়াবৰ), কুমুদ চন্দ্ৰ বৰা (নগাঁও), সঞ্চালক, সমাজ কল্যাণ, অসম চৰকাৰ, সঞ্চালক ৰাষ্ট্ৰীয় জন সহযোগ আৰু শিশু বিকাশ সন্থা (উঃ পূঃ সঃ)। কৰ্ণধাৰ সমিতিৰ সদস্যসকল— সভানেত্ৰী, সাধাৰণ সম্পাদক, সম্পাদক, কোষাধ্যক্ষ, শ্ৰী ভৰেন দত্ত (যোৰহাট), শ্ৰী জিতেন ভাগৱতী (বিঃ চাৰিআলি), শ্ৰী জিতেন ভাগৱতী (মংগলদৈ), নন্দেশ্বৰ শৰ্মা(গুৱাহাটী)।

**সপ্তম সাধাৰণ পৰিষদ** ঃ ২৪-১২-২০০০ তাৰিখে শিৱসাগৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত সপ্তম সাধাৰণ পৰিষদ অনুষ্ঠিত হয়। এই সমাৰোহ বিশেষ কাৰণবশত সম্পূৰ্ণ কৰিব পৰা নগ'ল। গতিকে এই পৰিষদ অসম্পূৰ্ণভাৱে ৰ'ল। ইয়াৰ পাছত ১-৭-২০০১ তাৰিখে পুনৰ গোলাঘাট জিলা মইনা পাৰিজাতৰ সৌজন্যত দেৰগাঁৱত পৰিষদ সভা অনুষ্ঠিত হয়। এই সভাত তলত দিয়া ধৰণে কাৰ্যকৰী সমিতি গঠন কৰে। সভাপতি— শ্ৰী ভৰেন্দ্ৰনাথ দত্ত (যোৰহাট), উপ সভাপতি বুধিন্দ্ৰনাথ বৰুৱা (নগাঁও), শ্ৰীঅতুল বৰতামুলী (গোলাঘাট), শ্ৰীসুৰেশ বৰঠাকুৰ (তেজপুৰ), সাধাৰণ সম্পাদক— শ্ৰীজিতেন ভাগৱতী (মঙলদৈ), সম্পাদক—শ্ৰী ৰাতুল বৰা (গুৱাহাটী), সহ সম্পাদক—সৰ্বশ্ৰী অতুল বৰা (যোৰহাট), বীৰেন কলিতা (গোলাঘাট), কুমুদ বৰা (নগাঁও), সাংগঠনিক সম্পাদক— সূৰ্য্য কুমাৰ নাথ (মঙলদৈ), সদানন্দ চক্ৰৱৰ্তী (শিৱসাগৰ), হেমন্ত মৰাণ (তিনিচুকীয়া), কোষাধ্যক্ষ— খগেন দুৱৰা (শিৱসাগৰ), সদস্য-সদস্যা ঃ মহেন্দ্ৰ নাথ (মঙলদৈ), নন্দেশ্বৰ শৰ্মা (গুৱাহাটী), নীৰ্মল বৰা (কলিয়াবৰ), চন্দ্ৰ বৰুৱা (ধেমাজি), প্ৰদীপ শইকীয়া (যোৰহাট), অনিল কুমাৰ গোস্বামী (গোলাঘাট), মহেশ চন্দ্ৰ দেৱ (ধনশিৰি), অমৃত শৰ্মা (তিনিচুকীয়া), জিতেন ভাগৱতী (বিশ্বনাথ চাৰিআলি), প্ৰশান্ত ফুকন (বোকাখাত), কাতিৰাম বৰা (নগাঁও), প্ৰভাত চন্দ্ৰ দত্ত (উঃ লখিমপুৰ), ললিত হাজৰিকা (মাজুলী), নগেন্দ্ৰনাথ চক্ৰৱৰ্তী (ডিব্ৰুগড়), বিশেষ নিমন্ত্ৰিত সদস্য ঃ ৰত্নকুমাৰ গৌতম, সৰ্বানন্দ গোস্বামী, মামনি ভূএগ হাজৰিকা, কুলসুম আহমেদ।

কৰ্ণধাৰ সমিতি ঃ শ্ৰীভৰেন্দ্ৰনাথ দত্ত, শ্ৰীজিতেন ভাগৱতী, ভৱানন্দ গোস্বামী, নন্দেশ্বৰ শৰ্মা, ৰত্নকুমাৰ গৌতম, শ্ৰীকুমুদ বৰা, বুধিন্দ্ৰ কুমাৰ বৰুৱা, খগেন দুৱৰা। 'মইনা' সম্পাদনা সমিতি ঃ শ্ৰী ভবেন্দ্ৰনাথ দত্ত, শ্ৰীজিতেন ভাগৱতী, শ্ৰীৰাতুল বৰা, বুধিন্দ্ৰকুমাৰ বৰুৱা, শ্ৰীঅতুল বৰা (সম্পাদক)।

**অষ্টম সাধাৰণ পৰিষদ** ঃ ১১-৭-২০০৪ তাৰিখে ধনশিৰি জিলা মইনা পাৰিজাতৰ সৌজন্যত ছেৰাগুৰি মজলীয়া বিদ্যালয়ত অনুষ্ঠিত সাধাৰণ পৰিষদত তলত দিয়া ধৰণে কাৰ্যকৰী সমিতি গঠন কৰে। সভাপতি শ্ৰীভবেন্দ্ৰনাথ দত্ত (যোৰহাট), উপ সভাপতি শ্ৰীঅতুল বৰতামুলী (গোলাঘাট), ডাঃ মণ্টুমণি দত্ত (তিতাবৰ), নগেন্দ্ৰনাথ চক্ৰৱৰ্তী (ডিব্ৰুগড়), সাধাৰণ

সম্পাদক— জিতেন ভাগৱতী (মঙলদৈ), সম্পাদক শ্ৰীৰাতুল বৰা (গুৱাহাটী), সহ সম্পাদক শ্ৰীবীৰেন কলিতা (গোলাঘাট), শ্ৰীঅতুল বৰা (যোৰহাট), শ্ৰীপ্ৰদীপ হাজৰিকা (উঃ লখিমপুৰ), সংগঠক সম্পাদক শ্ৰীহেমন্তৰাজ মৰাণ (তিনিচুকীয়া), শ্ৰীমোহন চন্দ্ৰ দত্ত (শিৱসাগৰ), শ্ৰীপৱন বৰঠাকুৰ (ধনশিৰি), শ্ৰীনিৰ্মল বৰা (কলিয়াবৰ), শ্ৰীমৃদুলকুমাৰ শৰ্মা (তেজপুৰ), শ্ৰীসূৰ্য্যকুমাৰ নাথ (মঙলদৈ)। কোষাধ্যক্ষ ঃ শ্ৰীকুমুদ বৰা (নগাঁও)। সদস্যসকল ঃ নন্দেশ্বৰ শৰ্মা, শ্ৰীৰবিৰাম শইকীয়া, শ্ৰীদেৱেশ্বৰ গগৈ, শ্ৰীদুদ্ধ দত্ত, শ্ৰীকৃষ্ণকান্ত কলিতা, শ্ৰীচন্দ্ৰ বৰুৱা, শ্ৰীঅতুল ভট্টাচাৰ্য, গোলোক শৰ্মা, শ্ৰীবেদকান্ত বৰা, শ্ৰীবিপুল শৰ্মা বৰুৱা, বুধিন্দ্ৰকুমাৰ বৰুৱা, হৰেন্দ্ৰকুমাৰ মেধি, শ্ৰীজীৱকান্ত ফুকন, শ্ৰীউপেশ চক্ৰৱৰ্তী, শ্ৰীসুৰেন্দ্ৰনাথ গগৈ, ফাৰাদুল হুছেইন, ডিম্বেশ্বৰ দত্ত, শ্ৰীউদয়ন চক্ৰৱৰ্তী, শ্ৰীপৰশুৰাম ছেট্ৰী।

'মইনা'ৰ সম্পাদনা সমিতি ঃ শ্ৰীমামনি হাজৰিকা ভূঞা, শ্ৰীঅতুল বৰা, বুধিন্দ্ৰকুমাৰ বৰুৱা। এই পৰিষদ সভাত শিশু সমাৰোহ পৰিচালনা, সম্বৰ্ধনা আৰু উপাধি প্ৰদান আৰু প্ৰাক্তন মইনা চ'ৰা গঠন সন্দৰ্ভত তিনিখন উপবিধি গঠন কৰা হয়।

**নৱম সাধাৰণ পৰিষদ** ঃ ২৯-৩০-২০০৬ তাৰিখে তেজপুৰ অসমীয়া মজলীয়া বালিকা বিদ্যালয়ত অনুষ্ঠিত পৰিষদ সভা তলত দিয়া ধৰণে কাৰ্যকৰী সমিতি গঠন কৰা হয়। সভাপতি— শ্ৰীজিতেন ভাগৱতী (বিশ্বনাথ চাৰিআলি), উপ সভাপতি— সৰ্বশ্ৰী অতুল বৰ তামুলী, জিতেন ভাগৱতী (মঙলদৈ), দেৱেশ্বৰ গগৈ, সাধাৰণ সম্পাদক— শ্ৰীঅতুল বৰা, সম্পাদক— শ্ৰীৰাতুল বৰা, সহঃ সম্পাদক— সৰ্বশ্ৰীবীৰেন কলিতা, মোহন চন্দ্ৰ দত্ত, সূৰ্য্যকুমাৰ নাথ, মৃদুল কুমাৰ শৰ্মা, হেমন্তৰাজ মৰাণ। সাংগঠনিক সম্পাদক—সৰ্বশ্ৰী সুৰেন্দ্ৰনাথ গগৈ, নিৰ্মল বৰা, জীৱকান্ত ফুকন, পৱন বৰঠাকুৰ, বিপুল শৰ্মা বৰুৱা, কোষাধ্যক্ষ— শ্ৰীপ্ৰদীপ হাজৰিকা। প্ৰচাৰ— শ্ৰীৰমেশ মহন্ত, সদস্য -নন্দেশ্বৰ শৰ্মা, শ্ৰীঅতুল ভট্টাচাৰ্য্য, শ্ৰীমুন দাস, কৃষ্ণকান্ত কলিতা, হৰেন্দ্ৰমোহন মেধি, ৰমেশ চন্দ্ৰ দত্ত, শ্ৰীদুগ্ধ দত্ত, শ্ৰীবেদকান্ত বৰা, গোলোক শৰ্মা, শ্ৰীৰবিৰাম শইকীয়া, শ্ৰীচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰসেনজিৎ গোস্বামী, শ্ৰীজয়ন্ত পূজাৰী, শ্ৰীনীলিমা বেজবৰুৱা. শ্ৰীঅঞ্জনা বৰুৱা, শ্ৰীগণেশ দত্ত।

'মইনা'ৰ সম্পাদনা সমিতি ঃ সৰ্বশ্ৰীজিতেন ভাগৱতী,(বিশ্বনাথ), অতুল বৰা, দুগ্ধ দত্ত, ৰাতুল বৰা (তত্বাৱধায়ক)।

**দশম পৰিষদ সভা** ঃ সদৌ অসম মইনা পাৰিজাতৰ দশম কেন্দ্ৰীয় পৰিষদ সভা মাজুলী জিলা মইনা পাৰিজাতৰ আহ্বান ক্ৰমে ৩ আৰু ৪ জানুৱাৰী ২০০৯ তাৰিখত মাজুলীৰ কমলাবাৰী এক নং নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত কৰা হয়। কেন্দ্ৰীয় পৰিষদৰ লগত সামঞ্জস্য ৰাখি ৪ তাৰিখে এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। দশম কেন্দ্ৰীয় পৰিষদৰ তলত দিয়া ব্যক্তিসকলক লৈ সদৌ অসম মইনা পাৰিজাতৰ ২০০৯-১১ বৰ্ষৰ বাবে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয়। সভাপতি ঃ শ্ৰী জিতেন ভাগৱতী,বিশ্বনাথ চাৰিআলি; উপ-সভাপতি ঃ শ্ৰী অতুল বৰতামুলী, গোলাঘাট, শ্ৰী জিতেন ভাগৱতী, মঙলদৈ, শ্ৰী দেৱেশ্বৰ গগৈ, যোৰহাট; সাধাৰণ সম্পাদক ঃ শ্ৰী অতুল বৰা, যোৰহাট; সম্পাদক ঃ শ্ৰী ৰাতুল বড়া, গুৱাহাটী; সহঃ সম্পাদক ঃ শ্ৰী বীৰেন কলিতা, গোলাঘাট, শ্ৰী মোহন চন্দ্ৰ দত্ত, শিৱসাগৰ, শ্ৰী হেমন্তৰাজ মৰাণ, তিনিচুকীয়া; শ্ৰী সূৰ্যকুমাৰ নাথ, মঙলদৈ, শ্ৰীমতী নীলিমা বেজবৰুৱা, তেজপুৰ; সাংগঠনিক সম্পাদক ঃ শ্ৰী সুৰেন্দ্ৰনাথ গগৈ, বোকাখাত, গোলাঘাট; শ্ৰী নিৰ্মল বৰা, কলিয়াবৰ, শ্ৰী জীৱকান্ত ফুকন,বৰহোলা, শ্ৰী নিৰোদ দুৱৰা, ডিব্ৰুগড়, শ্ৰী বাণী বৰুৱা, মাজুলী, শ্ৰী বিপুল শৰ্মা বৰুৱা, উত্তৰ লখিমপুৰ, কোষাধ্যক্ষ ঃ শ্ৰী প্ৰদীপ হাজৰিকৰা, উত্তৰ লখিমপুৰ; কাৰ্যনিৰ্বাহক সদস্যসদস্যা ঃ নন্দেশ্বৰ শৰ্মা, গুৱাহাটী, শ্ৰী কৃষ্ণকান্ত কলিতা, শিৱসাগৰ, শ্ৰী দুগ্ধ দত্ত, গোলাঘাট, শ্ৰী বেদকান্ত বৰা, তিনিচুকীয়া, শ্ৰী ৰাজেন্দ্ৰ প্ৰসাদ বৰুৱা, উত্তৰ লখিমপুৰ, শ্ৰী ৰবিৰাম শইকীয়া, কলিয়াবৰ, শ্ৰী চন্দ্ৰ বৰুৱা, ধেমাজি; হৰেন্দ্ৰ মোহন মেধি, বৰপেটা; শ্ৰী গনেশ দত্ত, মঙলদৈ, শ্ৰী প্ৰসেনজিৎ গোস্বামী, ডিব্ৰুগড়, শ্ৰী পুলিন কাকতি, তিতাবৰ, শ্ৰী গণেশ শইকীয়া, যোৰহাট, শ্ৰীমতী মুন দাস, গুৱাহাটী; শ্ৰীমতী অঞ্জনা বৰুৱা, শিৱসাগৰ, শ্ৰী অতুল ভট্টাচাৰ্য, তেজপুৰ, শ্ৰী ডিম্ব ৰাজকোঁৱৰ, চৰাইদেউ, শ্ৰী অজিত ভূঞা, মাজুলী, শ্ৰীমতী ডালিমী সন্দিকৈ গগৈ, গোলাঘাট।

**একাদশ পৰিষদ সভা** ঃ সদৌ অসম মইনা পাৰিজাতৰ একাদশ কেন্দ্ৰীয় পৰিষদ সভা যোৰহাট জিলা মইনা পাৰিজাতৰ আহ্বান ক্ৰমে ২৫ - ২৬ মে' ২০১৩ তাৰিখত চন্দকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত কৰা হয়। কেন্দ্ৰীয় পৰিষদৰ লগত সামঞ্জস্য ৰাখি ২৫ মেতোৰিখে এখনি অন্তৰংগ সভা অনুষ্ঠিত কৰা হয়। একাদশ কেন্দ্ৰীয় পৰিষদত তলত দিয়া ব্যক্তিসকলক লৈ সদৌ অসম মইনা পাৰিজাতৰ ২০১৩-১৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয়। সভাপতি ঃ শ্ৰী জিতেন ভাগৱতী, বিশ্বনাথ চাৰিআলি; উপ-সভাপতি ঃ শ্ৰী অতুল বৰতামুলী, গোলাঘাট, শ্ৰী জিতেন ভাগৱতী, আউলাচৌকা, মঙলদৈ, শ্ৰী বিৰেন শইকীয়া,উত্তৰ লক্ষিপুৰ, ড· মন্তুমনি দত্ত,তিতাবৰ,শ্ৰী দেৱেশ্বৰ গগৈ,যোৰহাট; সাধাৰণ সম্পাদক ঃ শ্ৰী ৰাতুল বৰা, গুৱাহাটী; সম্পাদক ঃ শ্ৰী বীৰেন কলিতা, গোলাঘাট, সহ সম্পাদকঃ শ্ৰী মোহন চন্দ্ৰ দত্ত, শিৱসাগৰ, শ্ৰী সূৰ্যকুমাৰ নাথ, মঙলদৈ, শ্ৰীমতী নীলিমা বেজবৰুৱা, তেজপুৰ; শ্ৰী সুৰেন্দ্ৰনাথ গগৈ, বোকাখাত,শ্ৰী বিপুল শৰ্মা বৰুৱা, উত্তৰ লখিমপুৰ,· সাংগঠনিক সম্পাদক ঃশ্ৰী নিৰ্মল বৰা, কলিয়াবৰ, শ্ৰী লোহিত বৰা, মাজুলী, শ্ৰী বিপুল বৰা,নগাঁও,শ্ৰী ৰাজেন্দ্ৰ প্ৰসাদ বৰুৱা,

উত্তৰ লখিমপুৰ, শ্ৰী বিষ্ণুঞা ডেকা,মংগলদৈ, শ্ৰী সুনীল আকাশ ধনদিয়া,চৰাইদেউ, কোখাধক্ষ্য ঃ শ্ৰী ৰমেশ মহন্ত,গুৱাহাটি; প্ৰচাৰ সম্পাদক-শ্ৰী গনেশ দত্ত, মংগলদৈ, সদস্য-সদস্যা ঃ সৰ্বশ্ৰী সুয্য কুমাৰ ভূএগ্ৰা, শিৱসাগৰ,এনি ভূএগ্ৰা,মংগলদৈ, দুগ্ধ দত্ত, গোলাঘাট, বিতুকুমাৰ গোশ্বামী, লখিমপুৰ, ৰবিৰাম শইকীয়া, কলিয়াবৰ, ডালিমি সন্দিকৈ গগৈ, বোকাখাত, জুৰি কলিতা, তেজপুৰ, ৰাজেন্দ নাথ দত্ত, যোৰহাট। মনোনীত সদস্য-সদস্যাঃ সৰ্বশ্ৰী ৰমেন শইকিয়া,যোৰহাট,লক্ষীপ্ৰভা বুঢ়াগোহাই, শিৱসাগৰ, প্ৰফুল্ল বৰা, যোৰহাট।

**দ্বাদশ পৰিষদ সভা** ঃ সদৌ অসম মইনা পাৰিজাতৰ দ্বাদশ কেন্দ্ৰীয় পৰিষদ সভা কলিয়াবৰ জিলা মইনা পাৰিজাতৰ আহ্বান ক্ৰমে **২৫ - ২৬ মে' ২০১৬** তাৰিখত কলিয়াবৰ কৃষি সম্পাসাৰণ ভৱনত অনুষ্ঠিত কৰা হয়। কেন্দ্ৰীয় পৰিষদত তলত দিয়াব্যক্তিসকলক লৈ সদৌ অসম মইনা পাৰিজাতৰ ২০১৬-১৮ বৰ্ষৰ বাবে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয়। **সভাপতি**ঃ শ্ৰীযুত কেশৰ মহন্ত, কাৰ্যকৰী সভাপতি ঃ ড° মণ্টুমণি দত্ত, উপ সভাপতি ঃ অতুল বৰ তামুলী (প্ৰয়াত), সৰ্বশ্ৰী সুৰেন্দ্ৰনাথ গগৈ, কমলচন্দ্ৰ ভূএগ্ৰা, প্ৰফুল্ল বৰা, **সাধাৰণ সম্পাদক** ঃ শ্ৰী ৰাতুল বৰা, সম্পাদক ঃ শ্ৰী বীৰেন কলিতা, সহকাৰী সম্পাদক ঃ সৰ্বশ্ৰী মোহন চন্দ্ৰ দত্ত, নীলিমা বেজবৰুৱা, লোহিত বৰা, সূৰ্য কুমাৰ নাথ,সাংগঠনিক সম্পাদক ঃ সৰ্বশ্ৰী নিৰ্মল বৰা, বিষ্ণুৰাম ডেকা, দ্বীজেন বৰা, কোষাধ্যক্ষ ঃ শ্ৰী প্ৰদীপ হাজৰিকা, সদস্য ঃ সৰ্বশ্ৰীদুগ্ধ দত্ত, ৰমেন শইকীয়া, জুৰী কলিতা, এনি ভূএগ্ৰা ডেকা, তিলক ডেকা, বিপুল বৰা, অমিত ফুকন, সূৰ্য কুমাৰ ভূএগ্ৰা, পুলিন কাকতি,ৰবিৰাম শইকীয়া, হিমেশ্বৰ দত্ত, হেমন্ত বৰদলৈ, মামণি ভূএগ্ৰা হাজৰিকা, পবিত্ৰ বৰগোহাঁই, বন্দনা দত্ত। **কৰ্ণধৰ সমিতি**- সৰ্বশ্ৰী কেশৰ মহন্ত (স ভাপতি), ৰাতুল বৰা (সাধাৰণ সম্পাদক), বীৰেন কলিতা (সম্পাদক), পুলিন কাকতি (সদস্য), প্ৰদীপ হাজৰীকা (কোষাধ্যক্ষ)।

**ত্ৰয়োদশ কেন্দ্ৰীয় পৰিষদ** ঃ সদৌ অসম মইনা পাৰিজাতৰ ত্ৰয়োদশ কেন্দ্ৰীয় পৰিষদ সভাখনি তিতাবৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত ৭ জুলাই ২০১৯ ইং তাৰিখে তিতাবৰত অনুষ্ঠিত হয়। এই সভাত ২০১৯-২০২১ বৰ্ষৰ বাবে শ্ৰীযুত কেশৰ মহন্তদেৰক সভাপতি, ড মন্টুমণি দত্তক কাৰ্যকৰী সভাপতি, আৰু সৰ্বশ্ৰী সুৰেন্দ্ৰনাথ গগৈ, প্ৰফুল্ল বৰা, তিলক ডেকা, কমল চন্দ্ৰ ভূএগ্ৰাক উপ-সভাপতি, শ্ৰী ৰাতুল বৰাক সাধাৰণ সম্পাদক, শ্ৰী বীৰেন কলিতাক সম্পাদক, সৰ্বশ্ৰী মোহন চন্দ্ৰ দত্ত, নীলিমা বেজবৰুৱা, লোহিত বৰা, হৰেন ডেকা, সুৰ্য কুমাৰ নাথক সহঃ সম্পাদক, সৰ্বশ্ৰী পুলিন কাকতি, দ্বিজেন বৰা, পিংকু শইকীয়া, ৰণজিৎ চিৰিংক সাংগঠনিক সম্পাদক, শ্ৰী প্ৰদীপ হাজৰিকাক কোষাধক্ষ্য, সৰ্বশ্ৰী পুৰ্ণিমা দত্ত, বিপুল বৰা, অৰুণ শইকীয়া, মৃদুল শৰ্মা, প্ৰাঞ্জল ৰাজকুমাৰ, ৰামচন্দ্ৰ কটকী, অনন্ত হাজৰিকা, দুগ্ধ দত্ত, মিনাক্ষী দেৱী, শশী বৰুৱা, ইন্দ্ৰজিত দত্ত, অতুল কলিতা, উমানন্দ বৰুৱা, ৰবিৰাম শইকীয়া, বন্দনা দত্ত, মিনতি শইকীয়া, ৰাণ আলম, সীমান্ত কলিতাক সদস্য হিচাপে লৈ এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

## সদৌ অসম মইনা পাৰিজাতৰ প্ৰতিষ্ঠা দিৱস

সদৌ অসম প্ৰাদেশিক মইনা মেল আৰু পাৰিজাত কানন লগ লাগি ১৯৫৪ চনত ২৭ জুন তাৰিখে সদৌ অসম মইনা পাৰিজাত নামেৰে ৰাজ্যিক ভিত্তিত শিশু অনুষ্ঠান হিচাপে পুনঃ নামাকৰণ কৰা হয়। সেয়েহে ২৭ জুন তাৰিখটো 'প্ৰতিষ্ঠা দিৱস' হিচাপে উদ্‌যাপন কৰিবলৈ স্থিৰ কৰা হয়।

**প্ৰথম** ঃ ৫৮তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) ৰ জুলাই ২০০৭ তাৰিখে গোলাঘাট জিলা মইনা পাৰিজাতৰ সৌজ্যনত পুলিবৰ জিলা মইনা পাৰিজাতৰ কাৰ্যালয়ত কেন্দ্ৰীয় ভাৱে অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি **পাৰিজাত সুবাস** নামেৰে এখন স্মৃতিগ্ৰন্থ শ্ৰী নৰেন শইকিয়াৰ সম্পাদনাত প্ৰকাশ কৰা হয়।

**দ্বিতীয়** ঃ ৫৯তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) ৫, ৬ জুলাই ২০০৮ চনৰ শনি আৰু ৰবিবাৰে কেন্দ্ৰীয়ভাৱে যোৰহাট জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণ ক্ৰমে অসমৰ প্ৰথমখন মইনা মেল জয়হিন্দ মইনা পাৰিজাতৰ সহযোগত যোৰহাট তৰাজানত অনুষ্ঠিত কৰা হয়। এই সমাৰোহৰ লগত সংগতি ৰাখি চিত্ৰাংকন, গল্প, ৰচনা, কবিতা, সাধু লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বক্তৃতা অনুষ্ঠানত প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা প্ৰদান কৰে শিশু মহীয়ান শ্ৰী হেমন্ত বৰদলৈয়ে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ বক্তৃতা প্ৰদান কৰে উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান যোৰহাটৰ জ্যেষ্ঠ বিজ্ঞানী ডঃ তৰুণ চন্দ্ৰ বৰাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম মইনা পাৰিজাতৰ প্ৰাক্তন সহকাৰী সম্পাদক ভবানন্দ হাজৰিকা, প্ৰাক্তন সাংগঠনিক সম্পাদক বুধিন বৰুৱা আৰু সাহসিকতাৰ বাবে যোৰহাট মালৌ পথাৰ দিব্যজ্যোতি মইনা পৰিজাতৰ মইনা ধৰিত্ৰী গগৈক সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ বিভিন্ন প্ৰতিযোগিতাত শিৱসাগৰ, চৰাইদেউ, তিতাবৰ, ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, লখিমপুৰ, তেজপুৰ, গোলাঘাট, বোকাখাত, কলিয়াবৰ, গুৱাহাটী, মঙলদৈ, বৰপেটা জিলাৰ মইনাসকলে অংশগ্ৰহণ কৰিছিল।

**তৃতীয়** ঃ সদৌ অসম মইনা পাৰিজাতৰ ৬০তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাতৰ

আমন্ত্ৰণ ক্ৰমে ৪, ৫ জুলাই ২০০৯ তাৰিখে লখিমপুৰৰ জ্যোতি সংগম, জৰাবাৰীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা হয়। এই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মইনাৰ সাংস্কৃতিক অনুষ্ঠান, ৰচনা, চিত্ৰাংকন, গল্প, সাধু লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱস উদ্বোধন কৰে ডঃ লোকনাথ শৰ্মা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক ভবানন্দ গোস্বামীয়ে। প্ৰাক্তন মইনাৰ বক্তৃতা প্ৰদান কৰে লখিমপুৰৰ শ্ৰী নীলম শইকীয়াই।

**চতুৰ্থ** ঃ সদৌ অসম মইনা পাৰিজাতৰ ৬১তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) চৰাইদেউ জিলা মইনা পাৰিজাতৰ উদ্যোগত ১০-১১ জুলাই ২০১০ তাৰিখে বামপথাৰ বেঙেনাবাৰী নাট্যমন্দিৰ প্ৰাঙ্গনত উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত শ্ৰীবিশ্বেশ্বৰ চেতিয়াক সম্বধনা জনোৱা হয়। শ্ৰীউৎপল কুমাৰ ফুকনৰ সম্পাদনাত কুঁকি নামৰ স্মৃতিগ্ৰন্হ প্ৰকাশ কৰা হয়।

**পঞ্চম** ঃ ৬২তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) তিতাবৰ জিলা মইনা পাৰিজাতৰ উদ্যোগত ১৬-১৭ জুলাই ২০১১ তাৰিখে গোমতীদেৱী উচ্চ বিদ্যালয় প্ৰাংগনত উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে মইনা আৰু প্ৰাক্তন মইনা সকলৰ মাজত চিএাংকন,ৰচনা,কবিতা,গল্প,প্ৰতিযোগিতা আয়োজন কৰা হয়।

**ষষ্ঠ আৰু সপ্তম** ঃ ৬৩ তম আৰু ৬৪ তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) কেন্দ্ৰীয় ভাৱে গুৱাহাটিৰ লখৰাত উদয়ন শাখা মইনা পাৰিজাতৰ কাৰ্যালয় প্ৰাংগণত ক্ৰমে ৭ জুলাই ২০১৩ আৰু ৬ জুলাই ২০১৪ তাৰিখে অনুষ্ঠিত কৰা হয়।

**অষ্টম ঃ** ৬৫ তম কেন্দ্ৰীয় ভাৱে কলিয়াবৰ জিলা পাৰিজাতৰ সৌজন্যত কলিয়াবৰ মুক্তি যুঁজাৰু ভৱন প্ৰাঙণত ৯ জুলাই ২০১৬ তাৰিখে অনুষ্ঠিত কৰা হয়।

**নৱম** ঃ ৬৬ তম প্ৰতিষ্ঠা দিৱস (২৭ জুন) কেন্দ্ৰীয় ভাৱে গুৱাহাটিৰ সৰুসজাই প্ৰকল্প ক্ষেত্ৰত ৭ জুলাই ২০১৭ তাৰিখে অনুষ্ঠিত কৰা হয়।

## মইনা পাৰিজাতে কৰি থকা বিভিন্ন আঁচনি থূল-মূল বিৱৰণ ঃ

**কৰ্মী প্ৰশিক্ষণ** ঃ ১৯/৭/৭২ ৰ পৰা **২২/৭/৭২** তাৰিখলৈ গুৱাহাটী টেক্সটাইল ইন্‌ষ্টিটিউটত সদৌ অসম মইনা পাৰিজাতৰ প্ৰথম কৰ্মী প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত বিভিন্ন জিলাৰ ৩০ জন কৰ্মীয়ে অংশ গ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে ৰাজকুমাৰ সুৰেশৰ গোহাঁয়ে, উদ্বোধন কৰে পদ্মশ্ৰী পাৰিজাত ৰত্ন নলিনীবালা দেৱীয়ে।

**১৯৭০** চনৰ পৰা বৰ্তমানলৈকে ৰাষ্ট্ৰীয় জন সহযোগ আৰু শিশু বিকাশ সন্থা, দিল্লীত প্ৰতি বছৰে ৪-৫ জন কৰ্মীক প্ৰশিক্ষণ আৰু সেই একে প্ৰতিষ্ঠানৰ উত্তৰ-পূব মণ্ডলৰ গুৱাহাটীত থকা কেন্দ্ৰত প্ৰতি বছৰে ৩০ ৰ পৰা ৪০ জন কৰ্মীক প্ৰশিক্ষণৰ সুবিধা আমাৰ অনুষ্ঠানক দি আহিছে। ১৯৭০ চনৰ পৰা বৰ্তমানলৈ মুঠ ৭২ টা প্ৰশিক্ষণ কাৰ্যসূচীত আমাৰ কৰ্মীয়ে অংশগ্ৰহণ কৰা সুবিধা পায়। সেয়ে উক্ত অনুষ্ঠানলৈ কৃতজ্ঞতা জনালোঁ।

**অৱসৰ বিনোদনৰ শিবিৰ** ঃ ৰাজ্যিক সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ অৰ্থ সাহায্য তথা নিজা ববীয়াকৈ জিলা আৰু আঞ্চলিক ভিত্তিত প্ৰশিক্ষণ দিয়াৰ উপৰি শিশুসকলৰ বাবেও জিলা শাখাসমূহে প্ৰশিক্ষণ, কৰ্মশালা প্ৰতি বছৰে অনুষ্ঠিত কৰি আছে। প্ৰতি জিলা আৰু আঞ্চলিক গোটসমূহৰ কৰ্মী প্ৰশিক্ষণৰ উপৰি প্ৰতি বছৰে শিশুৰ বাবে আবৃত্তি, চিত্ৰাংকণ, আচাৰ-ব্যৱহাৰ, নিয়ম শৃংখলা, অভিনয়, বিজ্ঞান বিষয়ৰ গল্প, কবিতা লিখা পদ্ধতি, হাতৰ কাম, খেল-ধেমালি আৰু সভা-সমিতি, মন্ত্ৰী মণ্ডলীৰ বাবে প্ৰশিক্ষণৰ কাৰ্যসূচী চলাই থকা হয়।

**পাৰিজাত কুঞ্জ** ঃ ১৯৮০ চনৰ পৰা ৰাজ্যিক সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ অৰ্থ সাহাৰ্য্যৰে **১৯৮০** চনত ৫ টা, ১৯৮১-৮২ চনত ১০ টা আৰু ১৯৮৩ চনত ১২ টা ক্ৰেচ চেণ্টাৰ (আমাৰ নামকৰণ পাৰিজাত কুঞ্জ) চলাই থকা হৈছিল। প্ৰতি কেন্দ্ৰত দুগৰাকী পৰিচালিকা তত্ত্বাৱধানত ০-৬ বছৰ বয়সৰ ২০০১ পৰা ২৫ জন শিশুক ৰাতিপুৱা ৯ বজাৰপৰা, বজালৈ ৰখা হয়। কেন্দ্ৰ বিলাকত স্বাস্থ্য পৰীক্ষা, লঘু আহাৰ বিতৰণ, গীত-মাত, ৰং-ধেমালিৰে শিশুসকলৰ সেৱা, আগবঢ়োৱা হয়।

এই কেন্দ্ৰ যোৰহাটত ১টা, তেজপুৰত ৩ টা, মংগলদৈত ১টা, গুৱাহাটীত ৩ টা, বৰপেটাত ১ টা, গোলাঘাটত ২ টা, ধুবুৰীত ১ টা আছে। ১৯৮৯-৯০ চনৰপৰা অনুদান নিয়মীয়া নোহোৱাত পৰিচালনাত অসুবিধা হৈছে। বৰ্তমান শাখা সমিতিৰ নিজা পুঁজিৰে এই আঁচনি চলাই থকা হৈছে।

**ঐক্যতা শিবিৰ ঃ** ১৯৯২ ,নৰ পৰা ১৯৯৪ চনলৈ গুৱাহাটী, যোৰহাট, শিৱসাগৰ, ধুবুৰীত ৩২ নং ৰ পৰা ৪১ নংলৈ ১০ টা শিবিৰ আৰু ৪২ নং আৰু ৪৩ নং দুটা শিবিৰ একেলগে তেজপুৰত অনুষ্ঠিত হয়। এই শিবিৰৰ মুকলি সভাতে পদ্মভূষণ শ্ৰী বিজয় চন্দ্ৰ ভাগৱতীক সম্বৰ্ধনা জনোৱা হয়।

**ৰাজ্যিক কৰ্মশালাঃ** ডিচেম্বৰ ২০০৬ ত চাৰিদিনীয়া কাৰ্যসূচীৰে এখন ৰাজ্যিক কৰ্মশালা অনুষ্ঠিত কৰা হয়। গোলাঘাটৰ উপায়ুক্ত শ্ৰী দীপক কুমাৰ গোস্বামীয়ে কৰ্মশালা উদ্বোধন কৰে। ১৬ খন জিলাৰ পৰা মুঠ ১১০ জন পৰিচালক-পৰিচালিকা আৰু বিষয়ববীয়াই অংশগ্ৰণ কৰিছিল। জিলা আৰু শাখা পৰ্যায়ত এই কৰ্মশালা অনুষ্ঠিত কৰি থকা হৈছে। তদুপৰি শিশু

সমাৰোহত পৰিচালক,পৰিচলিকা সকলৰ দায়িত্ব আৰু মইনা সকলক পৰিচালনাৰ ওপৰত সকলো জিলা মইনা পাৰিজাতে মে ২০১৫ ৰ পৰা অক্তোবৰ **২০১৬** তাৰিখৰ ভিতৰত মুঠ ১২ খন কৰ্মশালা অনুষ্ঠিত কৰে।

**প্ৰাক্ প্ৰাথমিক বিদ্যালয় ঃ** মইনা পাৰিজাতৰ বিভিন্ন শাখাই শিশুৰ শিক্ষা ব্যৱস্থাৰে প্ৰাক্ প্ৰাথমিক আৰু বালোৱাৰী কেন্দ্ৰ গঠন কৰি চলাই আছে। এই আঁচনিত ১৯৭২ চনত প্ৰথমে ৪ খনেৰে আৰম্ভ কৰি বৰ্তমান ৪৯ খন বিদ্যালয় চলাই থকা হৈছে। প্ৰতি বিদ্যালয়ত ৪০ জন শিশুৰ শিক্ষা ব্যৱস্থাৰ বাবে দুগৰাকী প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষয়িত্ৰী আৰু এগৰাকীকৈ সহায়িকা ৰখা হয়। প্ৰতি দিনে শিশুৰ বাবে আহাৰ ব্যৱস্থা কৰা হয়। উক্ত বিদ্যালয়সমূহ ৰাজ্যিক সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ সাহাৰ্য্য আৰু ৰাইজৰ দান-বৰঙণিৰে চলাই থকা হৈছে। ১৯৯৬ চনৰ পৰা অনুদান পোৱা হোৱা নাই। শাখা সমিতিসমূহে নিজৰ সাধ্য অনুসৰি কাৰ্য্যসূচী চলাই আহিছে।

**পাৰিজাত সদন** ঃ (অনাথ আশ্ৰম) নলবাৰী আৰু বোকাখাতত দুখন পাৰিজাত সদনত ৪০ জন শিশুৰ পূৰ্ণ দায়িত্বত ৰখা ব্যৱস্থাৰ দুখন আশ্ৰম আছে। এই আশ্ৰমত প্ৰথমতে প্ৰাথমিক শাখাই চলাই আছিল যদিও পিছত দুয়োখন আশ্ৰমেই ৰাজ্যিক কেন্দ্ৰীয় সমিতিয়ে চলায়। দুয়োখনৰ বাবে দুখন পৰিচালনা সমিতি গঠন কৰি দিয়া হৈছিল। চৰকাৰৰ অনুদান, ৰাইজৰ দান-বৰঙণিৰে আৰু কেন্দ্ৰীয় পুঁজিৰ পৰা চলাই থকা হৈছে। চৰকাৰী অনুদান সময়মতে নোপোৱাত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। বোকাখাত সদন বৰ্তমান সুস্থভাৱে এখন পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত হৈ আছে যদিও অৰ্থৰ অভাৱত নলবাৰী সদন যোৱা ১-১-৯৩ ৰপৰা সাময়িকভাৱে বন্ধ ৰখা হৈছে।

(ক) নলবাৰী পাৰিজাত সদন পৰিচালনা সমিতি ঃ ১৯৮০ চনৰ পৰা ১/৩/৮৭ লৈ কেন্দ্ৰীয় কাৰ্যালয়ৰ তত্ত্বাৱধানত চলে। ১-৩-৮৭ ৰ পৰা ১৯৮৯ চনলৈ পৰিচালনা সমিতিৰ সদস্যসকল সৰ্ব শ্ৰী ক্ষীৰদা বুজৰবৰুৱা, বলদেৱ শৰ্মা (সম্পাদক) অৰবিন্দ ডেকা, ডাঃ জ্ঞানদা ৰায় বৰুৱা আৰু ৰত্ন কুমাৰ গৌতম। ১৯৮৭ চনৰপৰা ১/১/৯৩ লৈ বলদেৱ শৰ্মা (সভাপতি), বিপিন চন্দ্ৰ শৰ্মা (সম্পাদক), অৰবিন্দ ডেকা (সহঃ সম্পাদক), ডাঃ জ্ঞানদা ৰায় বৰুৱা, ক্ষীৰদা বুজবৰুৱা, পূৰ্ণময়ী বৰকাকতী আৰু চিত্ৰ বৰ্মন সদস্য। অৰ্থৰ অভাৱত এই সদন বৰ্তমান বন্ধ কৰি ৰখা হৈছে।

(খ) বোকাখাত পাৰিজাত সদন পৰিচালনা সমিতি ঃ ৬/৯/৯০ ৰপৰা কেন্দ্ৰীয় কাৰ্যালয়ৰ তত্ত্বাৱধানলৈ অনা হৈছিল। ১৯৯০-৯৩ লৈ পৰিচালনা সমিতিৰ সভাপতি শ্ৰী ৰিপু মহন্ত, সম্পাদক শ্ৰী বীৰেন কলিতা আছিল। ১৯৯৩ ৰ পৰা ২০০১ লৈ সভাপতি-সভানেত্ৰী, সঃ অঃ মঃ পাঃ, কাৰ্যকৰী সভাপতি শ্ৰী ভোগেশ্বৰ হাজৰিকা, সম্পাদক প্ৰশান্ত ফুকনৰ লগত স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰপৰা ১১ জন সদস্যৰে গঠিত সমিতিয়ে পৰিচালনা কৰি আছে। বৰ্তমান এই সদন 'নিৰ্মাণ গোট' নামৰ এটা সংস্থাৰ দ্বাৰা পৰিচালনা হৈ আছে।

**তথ্য প্ৰযুক্তি ঃ** সদৌ অসম মইনা পাৰিজাতৰ সকলো তথ্য বিশ্বৰ যিকোনো ব্যক্তিয়ে লাভ কৰিব পৰাকৈ এটি ৱেব ছাইট মুকলি কৰা হৈছে। বিশ্বৰ যি কোনো ইচ্ছুক ব্যক্তিয়ে www.moinaparijat.com যোগেদি মইনা পাৰিজাতৰ সকলো তথ্য লাভ কৰিব পাৰিব।

## সদৌ অসম শিশু একাংক নাট প্ৰতিযোগিতা ঃ

**প্ৰথম বাৰ্ষিক** ঃ সদৌ অসম মইনা পাৰিজাতৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক শিশু একাংক নাট প্ৰতিযোগিতা গোলাঘাট জিলা মইনা পাৰিজাতৰ সৌজন্যত ফৰকাটিং মহাবিদ্যালয়ত ২৫, ২৬ অক্টোবৰ ২০০৮ তাৰিখে অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ নাট্য দল গোলাঘাট জিলা মইনা পাৰিজাত। নাটক ঃ 'দ পথাৰৰ কথা'। শ্ৰেষ্ঠ অভিনেতা ঃ শ্ৰী চন্দ্ৰজিৎ শইকীয়া, নাটক ঃ কদম তলে কৃষ্ণ নাচে, তেজপুৰ। শ্ৰেষ্ঠ অভিনেত্ৰী ঃ মৃদুস্মৃতা ৰাজখোৱা, গোলাঘাট, নাটক ঃ 'দ পথাৰৰ কথা'। শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ শ্ৰী নৱপল্লৱ ভূঞা, নাটক ঃ ওমলা প্ৰজাৰ ঘৰ, উত্তৰ লখিমপুৰ। শ্ৰেষ্ঠ পৰিচালক ঃ শ্ৰী গুণীন নাথ, নাটক ঃ দ পথাৰৰ কথা, গোলাঘাট।

**দ্বিতীয় বাৰ্ষিক** ঃ সদৌ অসম মইনা পাৰিজাতৰ দ্বিতীয় বাৰ্ষিক ৰাজ্যিক শিশু একাংক নাট প্ৰতিযোগিতাখনি তেজপুৰ জিলা মইনা পাৰিজাতৰ আমন্ত্ৰণক্ৰমে ১০, ১১ অক্টোবৰ ২০০৯ তাৰিখত বৰলুইতৰ পাৰৰ প্ৰাকৃতিক ৰম্যপুৰী সংস্কৃতিৰ নগৰী তেজপুৰ চহৰৰ ইতিহাসপ্ৰসিদ্ধ বাণ থিয়েটাৰত অনুষ্ঠিত হয়। মঙলদৈ, গুৱাহাটী জিলাৰ পৰা এটাকৈ আৰু তেজপুৰ, উত্তৰ লখিমপুৰ, শিৱসাগৰ, বোকাখাত, যোৰহাট, গোলাঘাট, চৰাইদেউ আৰু ডিব্ৰুগড় জিলাৰ পৰা দুটাকৈ দলে এই নাটক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ১০খন জিলা আৰু ১৮ নাট্যদলৰ লগতে প্ৰায় পাঁচ শতাধিক মইনা পৰিচালক-পৰিচালিকাই তেজপুৰ চহৰ মুখৰিত কৰি তোলে। প্ৰতিযোগিতাৰ ফলাফল ঃ শ্ৰেষ্ঠ নাট্যদল ঃ যোৰহাট জিলা মইনা পাৰিজাত; নাটক— জঞ্জাল নগৰীৰ সাধু। শ্ৰেষ্ঠ অভিনেতা ঃ প্ৰিয়ম প্ৰতীম বৰা, যোৰহাট, নাটক- জঞ্জাল নগৰীৰ সাধু, চৰিত্ৰ- হুঁচিয়াৰ খান। শ্ৰেষ্ঠ

অভিনেত্ৰী ঃ নীহাৰিকা শইকীয়া, যোৰহাট, নাটক-বুঢ়ী আইতাৰ সাধু, চৰিত্ৰ- আইতা। শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ অবিনাশ শইকীয়া, তেজপুৰ, নাটক-সেউজীখিনি মচি নিনিবা, চৰিত্ৰ- বগাই। শ্ৰেষ্ঠ কৌতুক অভিনেত্ৰী ঃ স্নিগ্ধা মহন্ত, যোৰহাট, নাটক- জঞ্জাল নগৰীৰ সাধু, চৰিত্ৰ- প্ৰথম মহিলা গায়িকা।

শ্ৰেষ্ঠ পৰিচালক ঃ দেৱব্ৰত মহন্ত, যোৰহাট, নাটক- জঞ্জাৰ নগৰীৰ সাধু। শ্ৰেষ্ঠ শৃংখলাবদ্ধতাৰ দল ঃ গোলাঘাট জিলা মইনা পাৰিজাত, নাটক- আমি ইয়াত আছো।

**তৃতীয় বাৰ্ষিকঃ** তৃতীয় বাৰ্ষিক ৰাজ্যিক শিশু একাংক নাট প্ৰতিযোগিতাখনি বোকাখাত জিলা মইনা পাৰিজাতৰ সৌজ্যনত বোকাখাত নাট্যমন্দিৰত ৯, ১০ অক্টোবৰ ২০১০ ত আনুষ্ঠিত হয়। মুঠ টা নাট্যদলে অংশ গ্ৰহণ কৰা এই প্ৰতিযোগিতা খনি উদ্ধোধন কৰে বোকাখাতৰ মহকুমাধিপ্ৰতি শ্ৰী সপ্না দত্তয়ে।

প্ৰতিযোগিতাৰ ফলাফল ঃ শ্ৰেষ্ঠ নাট্যদল ঃ মঙলদৈ জিলা মইনা পাৰিজাত; নাটক— পিলাৰ। দ্বীতিয় শ্ৰেষ্ঠ নাট্যদল ঃ গোলাঘা ট জিলা মইনা পাৰিজাত, নাটক-টিকনি ৰজাৰ সাধু; তৃতীয় শ্ৰেষ্ঠ নাট্যদল ঃ গুৱাহাটী জিলা মইনা পাৰিজাত,নাটক- দ্যা মেচিন, শ্ৰেষ্ঠ অভিনেতা ঃ মঃ তৌচিফুল হক, মঙলদৈ, নাটক- পিলাৰ। চৰিত্ৰ- নজৰুল। দ্বীতিয় শ্ৰেষ্ঠ অভিনেতাঃ শ্ৰী কল্যান আশীষ বৰুৱা, তৃতীয় শ্ৰেষ্ঠ অভিনেতাঃ শ্ৰী চানু হাজৰীকা, শ্ৰেষ্ঠ অভিনেত্ৰী ঃশ্ৰী নয়না শৰ্মা,গুৱাহাটী,দ্বীতিয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃশ্ৰী পুবাশ্ৰী বৰা,লখিমপুৰ, তৃতী য় শ্ৰেষ্ঠ অভিনেত্ৰী ঃশ্ৰী বিউটি চুলতানা,গোলাঘাট, শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ সমুজ্জ্বল বৰা,তেজপুৰ, দ্বীতিয় শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃশ্ৰী অংকুৰ জ্যোতি দত্ত,গোলাঘাট, তৃতীয় শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃশ্ৰী বিতোপন দত্ত, গোলাঘাট, শ্ৰেষ্ঠ সহযোগী শিল্পী:প্ৰাচুৰ্য প্ৰতীম বৰা,যোৰহাট, প্ৰস্তুতি কালিতা,যোৰহাট,মানসী কলিতা,গুৱাহাটি, শ্ৰেষ্ঠ পৰিচালকঃ ডা: ধ্ৰুৱ জ্যোতি চহৰীয়া,মঙলদৈ, নাটক-পিলাৰ, দ্বীতিয় শ্ৰেষ্ঠপৰিচালক- মুকুল মিশ্ৰ,গুৱাহাটী,নাটক- দ্যা মেচিন, তৃতীয় শ্ৰেষ্ঠপৰিচালক- নিলীময় ফুকন,গোলাঘাট,নাটক- দ পথাৰৰ কথা, শ্ৰেষ্ঠ পান্দুলিপি- দ্বীজেন নাথ,তেজপুৰ,নাটক- লুকাভাকু ভাল নালাগে, দ্বীতিয় শ্ৰেষ্ঠ পান্ডুলিপি- প্ৰদীপ বৰা,ডিব্ৰুগড়,নাটক- অ'মেঘ অ'মেঘ বৰষুণ দিয়া কিয়, তৃতীয় শ্ৰেষ্ঠ পান্ডুলিপি -জ্যোস্না হিলৈধাৰী শইকীয়া,ধনশিৰি,নাটক-আন্ধাৰৰ মাজেৰে জোনাকৰ যাত্ৰা, দ্বীতিয় শ্ৰেষ্ঠ, তৃতীয় শ্ৰেষ্ঠশৃংখলাবদ্ধ দল ক্ৰমে- গোলাঘাট,ধেমাজী,যোৰহাট।

**চতুৰ্থ বাৰ্ষিক ঃ** চতুৰ্থ বাৰ্ষিক ৰাজ্যিক শিশু একাংক নাট প্ৰতিযোগিতাখনি গুৱাহাটী জিলা মইনা পাৰিজাতৰ সৌজন্যত গুৱাহাটীৰ শিল্পগ্ৰামত ৮ অক্টোবৰ ২০১১ আনুষ্ঠিত হয়। মুঠ ১২ টা নাট্যদলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনি উদ্ধোধন কৰে নাট্যকাৰ শ্ৰীকৰুণা ডেকায়ে। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে অসমৰ মাননীয় সাংস্কৃতিক, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী শ্ৰীপ্ৰণতি ফুকনে। এই সভাতেই মন্ত্ৰী মহোদয়াই মইনাৰ সাংস্কৃতিক শিবিৰ অনুষ্ঠিত কৰি শিশুসকলৰ মাজত ঐক্য, প্ৰতিষ্ঠাৰ হেতু সদৌ অসম মইনা পাৰিজাতক সাংস্কৃতিক বিভাগৰ জৰিয়তে এটি এককালীন পাঁচ লাখ টকাৰ অনুদানৰ কথা ঘোষণা কৰে। প্ৰতিযোগিতাৰ ফলাফল এনেধৰণৰ— প্ৰথম শ্ৰেষ্ঠ নাট্যদল ঃ যোৰহাট জিলা মইনা পাৰিজাত, নাটক- পখী মোৰ সখী,পূৰ্ণিমা বৰুৱা সোঁৱৰণী চলন্ত বঁটা আৰু গৌৰীদত্ত শৰ্মা শাস্ত্ৰী বঁটাৰ লগতে এককালীন নগদ পাঁচ হাজাৰ টকা, দাতা ঃ ডাঃ নাৰায়ণ শৰ্মা, গুৱাহাটী; দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল ঃ বোকাখাত জিলা মইনা পাৰিজাত, নাটক- সৰু ধেমালি বৰ ধেমালি, সাগৰ চন্দ্ৰ শৰ্মা সোঁৱৰণী চলন্ত বঁটাৰ লগতে এককালীন নগদ চাৰি হাজাৰ টকা, দাতা ঃ অসীম কুমাৰ ঘোষ, গুৱাহাটী; তৃতীয় শ্ৰেষ্ঠ নাট্যদল ঃ ডিব্ৰুগড় জিলা মইনা পাৰিজাত, নাটক- হাতী ঐ হাতী, মহেন শৰ্মা সোঁৱৰণী চলন্ত বঁটাৰ লগতে এককালীন নগদ তিনি হাজাৰ টকা, দাতা ঃ প্ৰকাশ দাস, গুৱাহাটী; শ্ৰেষ্ঠ অভিনেতা ঃ প্ৰাচুৰ্য্য প্ৰতীম বৰা, যোৰহাট, নাটক- পখী মোৰ সখীম, পাতলি শইকীয়া আৰু বগীৰাম শইকীয়া, সোঁৱৰণী চলন্ত বঁটা; দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ঃ কাশ্যপজ্যোতি দাস, ডিব্ৰুগড়, নাটক- হাতী ঐ হাতী, ৰামেশ্বৰ দত্ত সোঁৱৰণী চলন্ত বঁটা; তৃতীয় শ্ৰেষ্ঠ অভিনেতা ঃ কল্যাণদ্বীপ নাথ, শিৱসাগৰ, নাটক- পাৰ চৰাই উৰি গ'ল, যদুৰাম দত্ত সোঁৱৰণী চলন্ত বঁটা, শ্ৰেষ্ঠ অভিনেত্ৰী ঃ নয়না শৰ্মা, যদুৰাম দত্ত সোঁৱৰণী চলন্ত বঁটা, সুবোধ চন্দ্ৰ শইকীয়া সোঁৱৰণী চলন্ত বঁটা, দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃ তন্ময়ী দাস, গোলাঘাট, নাটক- ৰামৰ ধেনু ৰামধেনু, বাপুকণ নেওগ সোঁৱৰণী চলন্ত বঁটা; তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃ প্ৰাংগনা দত্ত, বোকাখাত, নাটক- সৰু ধেমালি বৰ ধেমালি, নিত্যানন্দ সোঁৱৰণী চলন্ত বঁটা, শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ কৃষ্ণাভ কৌশিক, তেজপুৰ, নাটক- এমুঠি জোনাক এমুঠি আন্ধাৰ, কনক চন্দ্ৰ নাথ সোঁৱৰণী চলন্ত বঁটা, দ্বিতীয় শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ বৰ্ষকিশোৰ বৈৰাগী, নগাঁও, নাটক- গাম্ভীৰ্য্য কথাত মৃত্যু, ঘনকান্ত শইকীয়া আৰু কান্তা শইকীয়া সোঁৱৰণী চলন্ত বঁটা, তৃতীয় শ্ৰেষ্ঠ কৌতুক অভিনেতা ঃ সুমিত ৰজত, সোঁৱৰণী চলন্ত বঁটা, নাটক- টোপনি নহা ৰজা, শ্ৰেষ্ঠ পৰিচালক ঃ বিৰাজ বৰা, নাটক- পখী মোৰ সখী, বিষ্ণুৰাম শইকীয়া সোঁৱৰণী চলন্ত বঁটা, দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক ঃ যতীন শইকীয়া, নাটক- ৰামৰ ধেনু ৰামধেনু, বোপাৰাম বৰা সোঁৱৰণী চলন্ত বঁটা, তৃতীয় শ্ৰেষ্ঠ পৰিচালক ঃ মুকুল মিশ্ৰ, নাটক- উপহাৰ, শ্ৰেষ্ঠ পাণ্ডুলিপি ঃ নিলোফাৰ এ মাহাতাৱী, নাটক- সৰু ধেমালি বৰ ধেমালি, জুৰেল বৰুৱা, মীৰা বৰুৱা সোঁৱৰণী চলন্ত বঁটা, দ্বিতীয় শ্ৰেষ্ঠ পাণ্ডুলিপি ঃ ধ্ৰুৱজ্যোতি বৰদলৈ, নাটক- পখী মোৰ সখী, তৃতীয় শ্ৰেষ্ঠ

পাণ্ডুলিপি ঃ ব্ৰজেন কলিতা, নাটক- এমুঠি জোনাক এমুঠি আন্ধাৰ। বিচাৰকৰ বিশেষ বঁটা— ১। ৰূপজ্যোতি শইকীয়া (বোকাখাত), ২। আকাশদ্বীপ দত্ত (তিতাবৰ), ৩। পূজা শইকীয়া (নগাঁও), ৪। প্ৰণামী বৈৰাগী (নগাঁও), ৫। আদি বৰগোহাঁই (তিনিচুকীয়া), ৬। অনুষ্কা শইকীয়া (চৰাইদেউ), ৭। লখিমী বৰা (লখিমপুৰ), ৮। প্ৰিয়ম প্ৰতীম বৰা (যোৰহাট), ৯। উদীপ্ত বৰা (তেজপুৰ), ১০। বিকাশ বৰা (নগাঁও)।

বঁটা বিতৰণী সভাত উপস্থিত থাকে শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কণ্ঠশিল্পী তৰালী শৰ্মা আৰু বিশিষ্ট শিল্পী লোকনাথ গোস্বামী।

**পঞ্চম বাৰ্ষিক ঃ** শিৱসাগৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত ১৪ অক্টোবৰ, ২০১১ শিৱসাগৰ মঠাদাং ৰূপহী প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। ৰাজ্যখনৰ ১৪ টা নাট্যদলে অংশগ্ৰহণ কৰা সমাৰোহখনি উদ্বোধন কৰে শিৱসাগৰ জিলাৰ উপায়ুক্ত যতীন্দ্ৰ লহকৰে। প্ৰতিযোগিতাৰ ফলাফল ঃ শ্ৰেষ্ঠ নাট্যদল- যোৰহাট, নাটক- টিম ৱৰ্ক; দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল- গুৱাহাটী, নাটক- পুতলাৰ বিয়া; তৃতীয় শ্ৰেষ্ঠ নগাঁও জিলা মইনা পাৰিজাত, নাটক- এৰাবাৰীত বকুলফুলৰ গন্ধ। শ্ৰেষ্ঠ পৰিচালক- মুকুল মিশ্ৰ, নাটক- পুতলাৰ বিয়া; দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক (যুটীয়াভাৱে)- বিৰাজ বৰা, যোৰহাট, নাটক- টীম ৱৰ্ক, হেমন্ত কলিতা; তৃতীয় শ্ৰেষ্ঠ পৰিচালক- অঞ্জনজ্যোতি ভূঞা, নাটক- এৰাবাৰীত বকুলফুলৰ গন্ধ। শ্ৰেষ্ঠ অভিনেতা- প্ৰাচুৰ্য প্ৰতীম বৰা, নাটক- টীম ৱৰ্ক, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা- তেহজীৱ আহমেদ, গোলাঘাট, নাটক- চোলা চিলোৱাৰ গান; তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী- মোহন দাস, বোকাখাত, নাটক- এদিন ঘৰত অকলে। শ্ৰেষ্ঠ অভিনেত্ৰী- সৃষ্টি মহন্ত, যোৰহাট, নাটক- টীম ৱৰ্ক।

**ষষ্ঠ বাৰ্ষিক ঃ** ষষ্ঠ বাৰ্ষিক শিশু একাংক নাট প্ৰতিযোগিতাখনি নগাওঁ জিলা মইনা পাৰিজাতৰ সৌজ্যনত ২৬,২৭ আক্টোবৰ ২০১৩ নগাওঁ নাট্য মন্দিৰত অনুষ্ঠিত হয়।

প্ৰথম শ্ৰেষ্ঠ নাট্যদল- নগাঁও জিলা মইনা পাৰিজাত, নাটক- চোলা চিলোৱা গান; দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল- গোলাঘাট জিলা মইনা পাৰিজাত, নাটক- ভেকোলা মহাজনৰ বিলৈ; তৃতীয় শ্ৰেষ্ঠ নাট্যদল- শিৱসাগৰ জিলা মইনা পাৰিজাত, নাটক- ৰজা জৰদগৰ। প্ৰথম শ্ৰেষ্ঠ পৰিচালক- শ্ৰীপংকজ ৰাজখোৱা, নাটক- ভেঁকোলা মহাজনৰ বিলৈ, গোলাঘাট, দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক- শ্ৰীঅতুল শইকীয়া, নাটক- পখী মোৰ সখী, যোৰহাট । প্ৰথম শ্ৰেষ্ঠ অভিনেতা- শ্ৰীমহাত্মা মোহন হাজৰিকা, নাটক- ৰজা জৰদগৰ, শিৱসাগৰ, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা- শ্ৰীহিতাৰ্থ শইকীয়া, নাটক- টিকনি ৰজাৰ সাধু, যোৰহাট, তৃতীয় শ্ৰেষ্ঠ অভিনেতা- শ্ৰীৰক্তিম ভৰালী, নাটক- পখী মোৰ সখী, যোৰহাট । প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰী- শ্ৰীমণীষা বৰা, নাটক- ভেঁকোলা মহাজনৰ বিলৈ, গোলাঘাট; দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী- শ্ৰীনয়না শৰ্মা, নাটক- আমাক মাটিৰ পৃথিৱী দিয়া, গুৱাহাটী তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী- শ্ৰীপ্ৰিয়া মেচ, নাটক- বুঢ়া-বুঢ়ী আৰু শিয়াল, ডিব্ৰুগড়। শ্ৰেষ্ঠ কৌতুক অভিনেতা- শ্ৰীসত্যজ্ঞান গগৈ, নাটক- এজাক ৰঙীন পখিলা সাধু, চৰাইদেউ, শ্ৰেষ্ঠ কৌতুক অভিনেত্ৰী- শ্ৰীঈপ্সিতা ফুকন, নাটক- লোভ, গোলাঘাট। শ্ৰেষ্ঠ সহ-অভিনেতা- শ্ৰীনয়নজ্যোতি বৰা, নাটক- ৰজা জৰদগৰ, শিৱসাগৰ, শ্ৰীআশীষ শইকীয়া, নাটক- চ'ৰাঘৰ, উত্তৰ লখিমপুৰ; শ্ৰীঅৰূপজ্যোতি শইকীয়া, নাটক- টিকনী ৰজাৰ সাধু, কলিয়াবৰ। শ্ৰেষ্ঠ সহ-অভিনেত্ৰী- শ্ৰীনিতুমণি দেৱী, নাটক- চ'ৰাঘৰ, উত্তৰ লখিমপুৰ, শ্ৰীকস্তুৰী হীৰা, নাটক- তিনি টেণ্টুন, গুৱাহাটী; শ্ৰীভূৰ্চনা কোঁৱৰ, নাটক- আমাক মাটিৰ পৃথিৱী দিয়া, গুৱাহাটী। বিচাৰকৰ বিশেষ বঁটা- শ্ৰীতন্ময় চাণ্ডিল্য, নাটক- ভেঁকোলা মহাজনৰ বিলৈ, গোলাঘাট, শ্ৰীস্নেহা কাশ্যপ, নাটক- চিলা, নগাঁও।

**সপ্তম বাৰ্ষিক** ঃ তিতাবৰ জিলা মইনা পাৰিজাতৰ আমন্তন ক্ৰমে ২৫ আৰু ২৬ অক্তোবৰ ২০১৪ তাৰিখে দেৱ কুমাৰ বৰা সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহত অনুস্থিত হয়। অভ্যঠনা সমিতিৰ সভাপতি শ্ৰী কুমুদ কছাৰী, কাৰ্যকৰি সভাপতি শ্ৰী ৰাজেন তামুলী, প্ৰধান সম্পাদক অশ্ৰী অৰুণ শইকীয়া, মইনা পাৰিজাতৰ সভাপতি শ্ৰী জিতেন ভাগৱতীয়ে পতাকা উত্তোলন কৰি আৰম্ভ কৰা নাট প্ৰতিযোগিতাৰ মঞ্চ মুকলি কৰে শোনিতপুৰ জিলাৰ উপায়ুক্ত শ্ৰী ললিত গগৈয়ে আৰু স্মৃতিগ্ৰন্থ 'আখৰা' উদ্ধোধন কৰে শিশু সাহিত্যিক ড·শান্তনু তামুলীয়ে।বৃক্ষ ৰূপন কৰে শিশু বন্ধু শ্ৰী যজ্ঞেশ্বৰ বৰায়ে। প্ৰতিযোগিতাত মুঠ ২৩ দলে আংশ গ্ৰহ্ণ কৰিছিল। প্ৰতিযোগিতাৰ ফলাফল এনে ধৰণৰ : প্ৰথম শ্ৰেষ্ঠ নাট্য দল- ককা অই ককা (যোৰহাট), দ্বীতিয় - লাইত চাউন্দ কেমেৰা একচনড় (যোৰহাট), তৃতীয়- লটকণ (যোৰহআট), প্ৰথম শ্ৰেষ্ঠ অভিনেতা- প্ৰচুৰ্য প্ৰতীম বৰা (যোৰহাট), দ্বীতীয়- অংশুমাণ কাশ্যপ (শিৱসাগৰ), তৃতীয়- ডিম্পল সঞ্জীৱ (গোলাঘাট), চতুৰ্থ অভিনেত্ৰ আৰ্শীষ শইকিয়া, (তেজপুৰ), - প্ৰথম শ্ৰেষ্ঠ অভিনেৰ্ত্ৰী- নয়না শৰ্মা (গুৱাহাটী), দ্বীতিয়- মম্পী কোৱঁৰ (ডি ব্ৰুগড়), তৃতীয় - বৈ ভৰী গোস্বামী (যোৰহাট), চতুৰ্থ অভিনেতী-- দলি চৌধুৰী (তেজপুৰ), সহ অভিনেতা ক্ৰমে-অমল বাৰ্মা (ডিব্ৰুগড়),কিশোৰ ডেকা (গুৱাহাটী),কুনাল কৌশিক বৰা (যোৰহাট), সহ অভিনেৰ্ত্ৰী- অঞ্জনা বৰদলৈ,বৰ্ণালি গগৈ, ময়ুৰী হাজৰীকা, শ্ৰেষ্ঠ পৰিচালক- বিপুল কুমাৰ কলিতা (যোৰহাট) দ্বীতীয় শ্ৰেষ্ঠ পৰিচালক- মিম্পী দত্ত (ডিব্ৰুগড়), শ্ৰেষ্থ পাণ্ডুলিপি- ককা ঔ ককা (দেৱ্ৰত মহন্ত),দ্বীতিয়

পান্দুলিপি-বিদ্য শপত (নৃপেন ডেকা),তৃতীয় শ্ৰেষ্ঠ পান্ডুলিপি-মন যায় (ৰাতুল ফুকন)

নয়না শৰ্মা, গুৱাহাটী, নাটক- পুতলাৰ বিয়া; তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী- ৰিচা শইকীয়া, তেজপুৰ, নাটক- স্বাধীনতাৰ সংকল্প। শ্ৰেষ্ঠ সহ অভিনেতা- জনাৰ্দন বৰা, তিতাবৰ; দ্বিতীয় শ্ৰেষ্ঠ সহ অভিনেতা- কাশ্যপজ্যোতি দাস, ডিব্ৰুগড়। শ্ৰেষ্ঠ পাণ্ডুলিপি- টীম ৰৰ্ক, নাট্যকাৰ- দেৱব্ৰত মহন্ত; দ্বিতীয় শ্ৰেষ্ঠ পাণ্ডুলিপি- পুতলাৰ বিয়া, নাট্যকাৰ- ৰঞ্জিত শৰ্মা; তৃতীয় শ্ৰেষ্ঠ পাণ্ডুলিপি- এদিন ঘৰত অকলে, নাট্যকাৰ- সপোনজ্যোতি বৰঠাকুৰ। শ্ৰেষ্ঠ শৃংখলাৱদ্ধ দল হিচাপে সন্মান লাভ কৰে তিতাবৰ জিলা মইনা পাৰিজাতে।

**অষ্টম বাৰ্ষিক নাট প্ৰতিযোগিতা ঃ** সদৌ অসম মইনা পাৰিজাতৰ অষ্টম ৰাজ্যিক শিশু একাংক নাট প্ৰতিযোগিতা যোৰহাট জিলা মইনা পাৰিজাতৰ উদ্যোগত ২২ আৰু ২৩ অক্তোবৰ ২০১৬ তাৰিখে যোৰহাট থিয়েটাৰ হলত অনুষ্ঠিত হয়। ৰাজ্যিকৰ কায্যকৰি সভাপতি মন্টুমণি দত্ত দেবে পতাকা উত্তোলন আৰু শিশু বন্ধু ভবেন্দ্ৰ নাথ দত্ত দেবে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা নাট প্ৰতিযোগিতা খনি উদ্বোধন কৰে প্ৰবীন অভিনেতা টিলমিজুৰ ৰেহমান দেবে। সৰ্বমুঠ ২৩ টা নাট্যদলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ ফলাফল সমুহ হল- প্ৰথম শ্ৰেষ্ঠ দল : নিগনিৰ দৌৰ (গহপুৰ), দ্বিতীয় শ্ৰেষ্ঠ দল : এজাক অবুজ মনৰ পখিলা (বোকাখাট), তৃতীয় শ্ৰেষ্ঠ দল : আমি পানীত থকা জীব (যোৰহাট)। প্ৰথম শ্ৰেষ্ঠ পৰিচালক : প্ৰবিন শইকীয়া (নিগনিৰ দৌৰ), দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক : জিংকু বৰুৱা (হৰেণৰ হুচৰি, বিশ্বনাথ), তৃতীয় শ্ৰেষ্ঠ পৰিচালক: দুলাল গগৈ (গড়াল, ডিব্ৰুগড়),। প্ৰথম শ্ৰেষ্ঠ অভিনেতা: হিমাংশু শৰ্মা (নাট- গোহালী ঘৰৰ দূৰদৰ্শন, নগাঁও), দ্বিতিয় শ্ৰেষ্ঠ অভিনেতা: ধূতিম্য মহন্ত, (নাট-হৰেনৰ হুচৰী, বিশ্বনাথ), তৃতীয় শ্ৰেষ্ঠ অভিনেতা: সৌৰভ বৰুৱা (নাট-এজাক অবুজ মনৰ পখিলা (বোকাখাট),। প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰী-মম্পী কোৱঁৰ (নাট- গড়াল, ডিব্ৰুগড), দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী - ছায়া স্বিপ্কা ভড়ালী (আমি পানীত থকা জীব -যোৰহাট), তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী : সুকন্যা বাৎস, (নাট-লুকাভাকু,গোলাঘাট)। শ্ৰেষ্ঠ কৌতুক অভিনেতা-: অজয় চাহু (নাট- লুকাভাকু, গোলাঘাট), শ্ৰেষ্ঠ কৌতুক অভিনেত্ৰী : স্নেহণ কাশ্যপ (নাট- ওলট পালট, নগাঁও), সহ অভিনেতা : সুমন দাস (নাট- গড়াল, ডিব্ৰুগড়), সত্যজ্ঞান গগৈ (নাট-জোলোঙাৰ সাধু, চৰাইদেউ), কাশ্যপজ্যোতি বৰা (নাট-খেলি মেলি, ডিব্ৰুগড়)। সহ অভিনেত্ৰী - মানালী দত্ত (বেলি ফুলৰ দেশ, শিৱসাগৰ),ছয়নিকা বৰগোহাঁই (আমাক অকন পোহৰ দিয়া, ধেমাজী), প্ৰীয়াশ্ৰী হাজৰীকা (হৰেনৰ হুচৰি, বিশ্বনাথ)। প্ৰথম শ্ৰেষ্ঠ পাণ্ডুলীপি-মোৰো মন যায় (অমিতাভ কলিতা, তেজপুৰ), দ্বীতিয় শ্ৰেষ্ঠ পাণ্ডুলীপি-গোহালী ঘৰৰ দূৰদৰ্শন (অঞ্জন ভূঞা, নগাওঁ), তৃতীয় শ্ৰেষ্ঠ পাণ্ডুলিপি- এজাক অবুজ মনৰ পখিলা (ৰাতুল ফুকন, বোকাখাত)। শ্ৰেষ্ঠ মঞ্চ সজ্জা - গোহালী ঘৰৰ দূৰদৰ্শন, নগাও, শ্ৰেষ্ঠ আবহ সংগীত-লুকা ভাকু (গোলাঘাট)। ২৩ অক্তোবৰ ২০১৬ তাৰিখে বিয়লি ৫-৩০ বজাত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে সভাপতি শ্ৰী যুত কেশৱ মহন্ত দেৱে। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে বিশিষ্ট নাট্যকাৰ ডঃ অখিল চক্ৰৱৰ্তী। বটা বিতৰণীৰ পাছত পতাকা অৱনমন কৰি প্ৰতিযোগিতা সামৰণি মৰা হয়।

**নৱম বাৰ্ষিক ৰাজ্যিক নাট প্ৰতিযোগিতা ঃ** উত্তৰ লক্ষিমপুৰ জিলা পাৰিজাতৰ সৌজন্যত লক্ষিমপুৰ জিলা পুথিভড়াঁল প্ৰেক্ষাগৃহত নৱম ৰাজ্যিক শিশু নাট প্ৰতিযোগিতা ১৩, ১৪ অক্টোবৰ, ২০১৮ তাৰিখে দুদিনীয়াকৈ অনুষ্ঠিত হয়। নাট প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ লগতে উত্তৰ লখিমপুৰ জিলা মইনা পাৰিজাতৰ পৰা দ্বিজেন বৰাৰ সম্পাদনাত প্ৰকাশ কৰা 'ৰঙ্গ পাৰিজাত' নামৰ স্মৃতি গ্ৰন্থখনি উন্মোচন কৰা হয়। উক্ত নাট প্ৰতিযোগিতাত ২৯ টি শিশু নাট্যদলে অংশগ্ৰহণ কৰে।

**সদৌ অসম মইনা পাৰিজাত আৰু প্ৰতিদিন টাইমৰ যৌথ উদ্যোগত 'মইনামেল' :** মইনা পাৰিজাতৰ ইতিসাহত প্ৰথম বাৰৰ বাবে 'মইনামেল' ইলেক্টনিক মাধ্যমৰ যোগে বিশ্ববাসীৰ আগত দাঙি ধৰা হল। প্ৰতিদিন টাইম গোষ্ঠী আৰু সদৌ অসম মইনা পাৰিজাতৰ যৌথ উদ্যোগত শিৱসাগৰ, কলিয়াবৰ আৰু নগাঁও, লখিমপুৰ, ধেমাজী, মাজুলী, গুৱাহাটী, বিশ্বনাথ আৰু গহপুৰ, মঙলদৈ জিলা মইনা পাৰিজাতৰ জিলা ভিত্তিত অনুষ্ঠিত **মইনামেল** ৰ সম্প্ৰচাৰ কৰা হৈছে। বাকী থকা জিলা সমুহৰ মইনামেল সম্প্ৰচাৰ কৰা হব।

**প্ৰথম বাৰ্ষিক ৰাজ্যিক শিশু দিৱস উদ্‌যাপন ঃ** ১৪ নবেম্বৰ ২০১৬ শিল্পগ্ৰামৰ সেউজীয়া পৰিবেশত ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহাৰলাল নেহেৰুদেৱৰ জন্মদিন 'শিশু দিৱস' প্ৰথম বাৰৰ বাবে কেন্দ্ৰীয় ভাবে অনুষ্ঠিত কৰা হয়। এই শিশুদিৱসত অংশগ্ৰহণ কৰা জিলা পাৰিজাতৰ সমুহ হল- (১) কলিয়াবৰ, (২)গোলাঘাট, (৩) যোৰহাট (৪) বোকাঘাট (৫) লক্ষিমপুৰ, (৬) শিৱসাগৰ (৭) গহপুৰ (৮) বিশ্বনাথ (৯) তেজপুৰ, (১০) তিনচুকীয়া (১১) ডিব্ৰুগড় (১২) নগাঁও (১৩) মঙ্গলদৈ (১৪) গুৱাহাটী (১৫) ধেমাজী (১৬) তিতাবৰ। পুৱা ৯.৩০ বজাত মইনা পাৰিজতাৰ পতাকা উত্তোলন কৰি সভাপতি শ্ৰীযুত কেশৱ মহন্তদেৱে কেন্দ্ৰীয় শিশুদিৱসৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে ৯.৪৫ বজাত গুৱাহাটীৰ মইনা আস্থা হাতীকাকতিয়ে বন্তি প্ৰজ্বলন কৰি স্মৃতি তৰ্পন কাৰ্যসূচী আৰম্ভ কৰিলে। পুৱা ১০.৩০ বজাত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ

সোণোৱালদেৱ তিতাৰৰ জিলাৰ মইনা পাৰিজাতৰ চেমনীয়া সকলৰ খোল বাদনেৰে আদৰণি জনোৱা হয়। উল্লেখ যোগ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালদেবকলৈ গুৱাহাটীৰ প্ৰাক্তন মইনা শ্ৰী অৰ্ণব বৰাই নতুনকৈ প্ৰস্তুত কৰা "একে বতাহ, একে বায়ু .....আমাৰ মাজত আছে সৰ্বানন্দ" গীতটো মইনা/চেমনীয়া সকলে পৰিবেশন কৰি তেখেতক স্বাগতম জনায়। মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা প্ৰাক্তন বিধায়ক তথা নলবাৰী জিলা মইনা পাৰিজাতৰ সভাপতি শ্ৰীযুত জয়ন্তমল্ল বৰুৱা, শ্ৰীযুত প্ৰীতম শইকীয়া, (আয়ুক্ত সচিব, সাংস্কৃতিক বিভাগ), শ্ৰীযুত এচ. এচ. মিনাক্ষী সুন্দৰম, (সঞ্চালক, সমাজ কল্যান বিভাগ) শ্ৰীবৰ্ণলী শৰ্মা (ভাৰপ্ৰাপ্ত উপায়ুক্ত) কামৰূপ মহানগৰ, পুলক মহন্ত (অতিৰিক্ত উপায়ুক্ত, কামৰূপ মহানগৰ) শ্ৰীযুত জয়দ্বীপ বৰুৱা (জেষ্ঠ্য বিজ্ঞানী, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ) গামোচা আৰু ফুলৰ থোপাৰে সম্বৰ্দ্ধনা জনোৱা হয়। মাননীয় মুখ্যমন্ত্ৰীদেৱক মইনাপাৰিজাতৰ তৰফৰ পৰা চেলেং, গামোচা, শৰাই আৰু ফুলৰ থোপাৰ লগতে সৰ্মৰ্দ্ধনা পত্ৰ প্ৰদান কৰা হয়। মইনা পাৰিজাতলৈ মুখ্যমন্ত্ৰীদেৱে পোন্ধৰ লাখ টকাৰ অনুদানৰ কথা ঘোষণা কৰি ইয়াৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা পৰিষদ বিভাগৰ পৰা দহ লাখ টকা চেক প্ৰদান কৰে। সদৌ অসম মইনা পাৰিজাতৰ বাবে দুই বিঘা মাটি প্ৰদান কৰা কথা তেখেতে ঘোষনা কৰে। মুখ্যমন্ত্ৰীদেৱে মইনা সকলৰ লগত বাৰ্তা লাপ কৰে। শিশু দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাঙ্কন আৰু ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু মইনা সকলে সাংস্কৃতিক অনুষ্টান পৰিবেশন কৰে।

**দ্বীতিয় বাৰ্ষিক ৰাজ্যিক শিশু দিৱস** ঃ মঙলদৈ জিলা মইনা পাৰিজাতৰ সৌজ্যনত ১৪ নম্বেবৰ ২০১৭ তাৰিখে মঙলদৈ জিলা পুথিভৰাঁল প্ৰেক্ষাগৃহত অনুষ্ঠিতকৰা হয়। ভকতপাৰা মইনা পাতিৰজাতৰ মইনা ভৃগু চৌহানে পতাকা উত্তোলন কৰি শিশু দিৱসৰ কাযসুচীৰ শুভাৰম্ভ কৰে। মইনা আৰু চেমনীয়া সকলৰ মাজত চিত্ৰাঙ্কন প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুস্থান আয়োজন কৰা হয়। অভিনেতা তথা প্ৰাক্তন মইনা শ্ৰী যতীন বৰা শিশু দিৱসত উপস্থিত থাকি মইনা সকলৰ লগত বাৰ্তালাপ কৰে। বিয়লি ২ বজাত অনুষ্ঠিত মুকলি সভাত সভাপতি শ্ৰী যুত কেশৱ মহন্তদেৱে মইনা পাৰিজাতৰ বৰ্ত্তমান কামকাজৰ লগতে প্ৰয়োজনতাৰ কথা ব্যাখা কৰি সকলোকে মইনা সকলৰ সেৱাত জড়িত হবলৈ আহবান জনায়। চিপাজাৰ আৰু মংগলদৈ বিধায়ক ক্ৰমে মাননীয় শ্ৰী বিনন্দ কুমাৰ শইকীয়া আৰু শ্ৰী গুৰুজ্যোতি দাস দেৱে মইনা পসৰিজাতৰ এই প্ৰচেষ্টাৰ শলাগ লয় আৰু তেখেত সকলৰ লৰালি কালৰ স্মৃতি ৰোমন্থন কৰে। উল্লেখযোগ্য যে মাননীয় বিধায়ক শ্ৰী গুৰুজ্যোতি দাস শিশু দিৱস উদযাপন সমিতিৰ সভাপতি আছিল। সভাত দৰং জিলা সাহিত্য সভাৰ সভাপতি শ্ৰীযুত চহিৰ ভুঞা, মইনা পাৰিজাতৰ উপদেষ্টা শিশুমহীয়ান জিতেন ভাগৱতী য়ে বক্তব্য আগবঢ়ায়। দৰং জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন দেৱে স্মৃতিগ্ৰন্থ উন্মোচন কৰে। শিশুদিৱসৰ মুল আকষণ শিৱসাগৰৰ মইনা শ্ৰুতি মলীয়ায়ে তেওঁৰ বক্তব্যৰে সকলোকে মন্ত্ৰমুগ্ধ কৰে।

**শিশু অধিকাৰ সম্পৰ্কীয় আচনি ৰূপায়ন** - সদৌ অসম মইনা পাৰিজাত আৰু ইউনিচিফৰ যৌথ উদ্যোগত শিশু সকলক সমাজ পৰিবৰ্ত্তনৰ বাহক হিচাবে গঢ়ি তোলাৰ উদেশ্যে ২০১০ চনৰ পৰা পৰিবৰ্ত্তনৰ বাবে মইনা শীৰ্ষক এখনি আচনি উনিচিফৰ সাহায্যত চেমনীয়া সকলক লৈ গুৱাহাটী, তেজপুৰ, গোলাঘাট, শিৱসাগৰ জিলাত ৰূপায়ন কৰি থকা হৈছে। শিশু শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ বিভিন্ন দফা সমুহ সকলোৰে মাজত দাঙি ধৰা, শিশু শ্ৰমিক নিবাৰণৰ বাবে থকা আইনৰ ব্যৱস্থাৱলী আৰু শিশু শ্ৰমিক নিবাৰণৰ প্ৰয়োজনীয়তা সৰ্মকে সজাগতা বৃদ্বিয়েই হল এই আচনিৰ মুল উদেশ্য। চাৰিখন জিলাৰ মুঠ ৮০০ চেমনীয়া এই আচনীৰ লগত জড়িত হৈ বিভিন্ন কাৰ্যসুচী ৰূপায়নত সহযোগীতা আগবঢ়াই আহিছে।

**সংস্কৃতিৰ যোগে সংহতি আচনী ৰূপায়ন** ঃ- অসমৰ বাৰেৰহনীয়া সংস্কৃতিৰ এনাজৰিৰে শিশু সকলক উদ্বোদ্ধ কৰি ঐনক্যৰ মাজত ঐক্য প্ৰতিস্থা কৰাৰ উদেশ্যে অসম চৰকাৰ সাংস্কৃতিক বিভাগৰ সাহাৰ্যত সকলো জিলাতে ২০১৩ আৰু ২০১৪ চনত সাংস্কৃতিক শিবিৰ আয়োজন কৰি মইনা পাৰিজাতে সমাজ জীৱনত কিছু হলেও অৰিহণা আগবঢ়াবলৈ সক্ষম হৈছিল। অৰ্থৰ অভাৱৰ বাবে এই শিবিৰ অনুষ্ঠিত কৰিব পৰা নাই।

**ওপজা দিন উদ্যাপন** ঃ সদৌ অসম মইনা পাৰিজাতৰ প্ৰতিস্থাপক সকলৰ ভিতৰত পাৰিজাত ৰত্ন আইতা নলিনীবালা দেৱী, পাৰিজাত ৰত্ন ককা মহাদেৱ শৰ্মা আৰু পাৰিজাত ৰত্ন ত্ৰৈলোক্য নাথ শৰ্মাৰ ওপজা দিন ৰাজ্যিক ভিত্তিত উদ্যাপন কৰি অহা হৈছে। এইখিনিতে যোৱা তিনিটা বৰ্ষত উদ্যাপন কৰা ওপজাদিনৰ চমু আভাষ দাঙি ধৰা হ'ল।

- **পদ্মশ্ৰী, পাৰিজাত ৰত্ন আইতা নলিনীবালা দেৱীৰ ওপজা দিন ঃ** ২৩ মাৰ্চ ২০১৭ তাৰিখে গুৱাহাটীৰ পাৰিজাত প্ৰকল্প ক্ষেত্ৰত পাৰিজাত ৰত্ন পদ্মশ্ৰী নলিনীবালা দেৱীৰ ১১৯ বছৰীয়া জন্মদিন মহা আড়ম্বতাৰে কেন্দ্ৰীয় ভাবে অনুস্থিত কৰা হয়। মইনাৰ বাবে ৰচনা, চিত্ৰাংকণ আদি প্ৰতিযোগিতা অনুস্থিত কৰাৰ লগতে মুকলি সভা আৰু সাংস্কৃতিক

অনুষ্ঠান আয়োজন কৰা হয়। সভাপতি মাননীয় শ্ৰীযুত কেশৱ মহন্ত দেৱৰ সভাপতিত্ব অনুস্থিত মুকলি সভাত মুখ্য অতিথি হিচাবে আমন্ত্ৰণ কৰি অনা সাহিত্য একাডেমী বঁটা প্ৰাপক শিশু সাহিত্যিক এলি আহমেদ বাইদেউক সৰ্ম্বধনা জনোৱ হয়। বিশিষ্ট কথা শিল্পী মনমৰমী মহন্ত বাইদেউয়ে আমন্ত্ৰিত অতিথি হিচাবে অংশগ্ৰহণ কৰে।

**২৩ আৰু ২৫ মাৰ্চ ২০১৮ ঃ** পাৰিজাত ৰত্ন আইতা নলিনী বালা দেৱীৰ ১২০ বছৰীয়া জন্মদিন ২৩ মাৰ্চ তাৰিখে কেন্দ্ৰীয় কাৰ্যালয়ত আৰু ২৫ মাৰ্চ তাৰিখে গুৱাহাটী জিলা মইনা পাৰিজাতৰ সৌজন্যত উত্তৰ গুৱাহাটী নাগৰিক মঞ্চৰ আতিথ্যত উত্তৰ গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলা পৰিষদৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়।

- **পাৰিজাত ৰত্ন ককা ত্ৰৈলোক্য নাথ শৰ্মাৰ ওপজাদিন ঃ** ২২ নবেম্বৰ ২০১৭ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে পাৰিজাত ৰত্ন ককা ত্ৰৈলোক্য নাথ শৰ্মা দেৱৰ ওপজা দিন সদৌ অসম মইনা পাৰিজাতৰ গুৱাহাটী সৰুসজাইৰ প্ৰধান কাৰ্যালয়ত পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হয়।

- ২৩ ডিচেম্বৰ ২০১৮ তাৰিখে গুৱাহাটী জিলা মইনা পাৰিজাতৰ সৌজন্যত শৰাইঘাট শাখা মইনা পাৰিজাতৰ আতিথ্যত শিলামহেখাইতিত কেন্দ্ৰীয়ভাৱে অনুস্থিত কৰা হয়। গুৱাহাটী জিলা মইনা পাৰিজাতৰ শিশু সমাৰোহৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা সভাত বক্তব্য আগবঢ়ায় প্ৰাক্তন মইনা ডাঃ অঞ্জনজ্যোতি চৌধুৰী, NEWS LIVE টেলিভিচনৰ স্বত্বাধিকাৰী শ্ৰী ৰিণিকী ভূঞা আৰু শ্ৰীযুক্তা মৃণালিনী দেৱী বাইদেওয়ে।

- পাৰিজাত ৰত্ন ত্ৰৈলোক্য নাথ শৰ্মাৰ ১০০ বছৰীয়া জন্মজয়ন্তী ৰাজ্যিক ভিত্তিত আৰু সকলো জিলা মইনা পাৰিজাতত বিভিন্ন কাৰ্যসূচীৰে বছৰযোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। ২২ নবেম্বৰ ২০১৯ তাৰিখে ১০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ সামৰণী অনুষ্ঠান গুৱাহাটীৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুস্থিত কৰাৰ পাছত যোৰহাট জিলা মইনা পাৰিজাতৰ সৌজন্যত ২৪ নবেম্বৰ ২০১৯ তাৰিখে সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এশ বছৰীয়া জন্মজয়ন্তী উদ্দেশ্যে ত্ৰৈলোক্য নাথ শৰ্মাৰ জীৱন দৰ্শন আৰু বৰ্তমান মইনা পাৰিজাত বিষয়ক ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

- **পাৰিজাত ৰত্ন ককা মহাদেৱ শৰ্মাৰ ওপজাদিন ঃ** তেজপুৰ জিলা মইনা পাৰিজাতৰ সৌজন্যত ১০ জুলাই ২০১৭ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে প্ৰাগজ্যোতিষ কলা পৰিষদ প্ৰাঙ্গণত অনুস্থিত কৰা হয়।

**স্মৃতিচাৰণ সভা ঃ** সদৌ অসম মইনা পৰিজাতৰ উপ-সভাপতি অতুল বৰতামুলী দেৱৰ ১৭ জানুৱাৰী ২০১৯ তাৰিখে আকস্মিক মৃত্যুৰে মইনা পাৰিজাতৰ অপূৰণীয় ক্ষতি সাধন কৰিলে। তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই গুৱাহাটী স্থিত প্ৰধান কাৰ্যালয়ৰ লগতে সকলো জিলা মইনা পাৰিজাতে পতাকা অৰ্ধনমিত কৰি শোক সভা অনুস্থিত কৰে। ২৪ মাৰ্চ ২০১৯ তাৰিখে সদৌ অসম মইনা পাৰিজাত আৰু সদৌ অসম কোঁচ-ৰাজবংশী সন্মিলনীৰ উদ্যোগত গোলাঘাট জিলা মইনা পাৰিজাত আৰু গোলাঘাট জিলা কোঁচ-ৰাজবংশী সন্মিলনীৰ সহযোগত পুলিবৰ আদৰ্শ বিদ্যাপীঠ উ. মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত শ্ৰদ্ধাঞ্জলি অনুস্থান আয়োজন কৰা হয়।

**গুৱাহাটীৰ সৰুসজাইত প্ৰস্তাবিত পাৰিজাত প্ৰকল্প ক্ষেত্ৰৰ আধাৰশিলা ঃ**

. অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল দেৱে ৮ নবেম্বৰ ২০১৮ তাৰিখে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰায় ৩০০ মইনা/চেমনীয়া/কৰ্মকৰ্তা আৰু ৰাইজৰ উপস্থিতিত পাৰিজাত প্ৰকল্প ক্ষেত্ৰত এটি প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপনৰ কায্যসূচীত উপস্থিত আছিল মাননীয় সভাপতি শ্ৰীযুত কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শ্ৰীযুত শান্তনু ভৰালী, পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক মাননীয় শ্ৰী ৰমেন্দ্ৰ নাথ কলিতা।

**অসম চৰকাৰৰ আৰ্থিক সাহায্যত ৰূপায়ণ কৰা আঁচনি ঃ**

**'বিজ্ঞান মেল' ঃ** Maina's Act for Environment, Health and Hygine নামৰ আঁচনিৰ অধীনত আমাৰ পৰিবেশ সম্পৰ্কে মইনা সকলক অৱগত কৰোৱা, পৰিবেশৰ সংৰক্ষণৰ বাবে সজাগতা বৃদ্ধি কৰা, স্বাস্থ্যৰ যতন, চাফ-চিকুণতা সম্পৰ্কত সজাগতা বৃদ্ধি এই আচনিৰ মুল লক্ষ্য। কৰ্মশালা, ক্ষেত্ৰ ভিত্তিক অধ্যয়ণ কৰি টোকা প্ৰস্তুত, প্ৰকল্প প্ৰস্তুত আদিৰ মাজেৰে মইনা সকলৰ মনত বৈজ্ঞানিক চিন্তাধাৰা সংৰোপনৰ বাবে বিজ্ঞান মেল আয়োজন কৰা হৈছিল।

জনাবলৈ পাই সুখী হৈছো যে ১৪ নবেম্বৰ ২০১৬ তাৰিখে গুৱাহাটীৰ শিল্পগ্ৰামত কেন্দ্ৰীয় শিশু দিৱস উদ্‌যাপনৰ লগতে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱলদেৱে বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ (ASTEC) পৰিষদৰ হৈ ১০ লাখ টকা আনুস্থানিকভাৱে প্ৰদান কৰে। এক গাম্ভীয্যপুৰ্ণ এই অনুস্থানত মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে উপস্থিত আছিল শিক্ষা আৰু সংস্কৃতিক বিভাগৰ আয়ুক্ত সচিব শ্ৰীযুত প্ৰীতম শইকীয়া, সমাজকল্যান বিভাগৰ সঞ্চালক শ্ৰীযুত এচ. এচ. মিনাক্ষী সুন্দৰম, আৰু বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ জেষ্ঠ্য বিজ্ঞানী ড° জয়দ্বীপ বৰুৱা। সকলো জিলা পাৰিজাতৰ সভাপতি সম্পাদক আৰু পৰিচালক পৰিচালিকৰ সৈতে গুৱাহাটীৰ প্ৰায় ২০০ মইনা আৰু প্ৰতি জিলাৰ পৰা অহা ৫ জনকৈ প্ৰতিনিধিয়ে ইয়াত অংশগ্ৰহণ কৰিছিল।

বিজ্ঞান মেলৰ বাবে ২৮ ডিচেম্বৰ ২০১৭ তাৰিখে কলিয়াবৰত অনুস্থিত ষষ্ঠদশ ৰাজ্যিক সমাৰোহত মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালদেৱে মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰি বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ হৈ দ্বিতীয়বাৰৰ বাবে ১২ লাখ টকাৰ অনুদান আগবঢ়ায়।

২০১৬-১৮ চনত জিলা ভিত্তিত বিজ্ঞানমেল, ক্ষেত্ৰ ভিত্তিক অধ্যয়ণ, কৰ্মশালা অনুস্থিত কৰা হয়। ক্ষেত্ৰ ভিত্তিক অধ্যয়ন, পৰিৱেশ আৰু স্বাস্থ্য সম্পৰ্কত প্ৰকল্প প্ৰস্তুত কৰা আৰু বিজ্ঞান মেল আয়োজন কৰা জিলাসমূহ হ'ল ঃ— গুৱাহাটী, তেজপুৰ, বিশ্বনাথ, মাজুলী, শিৱসাগৰ, গোলাঘাট, বোকাখাত, ডিব্ৰুগড়, যোৰহাট, উত্তৰ লখিমপুৰ, গহপুৰ আৰু ধেমাজি। জিলা ভিত্তিত বিজ্ঞান মেলৰ যোগেদি নিৰ্বাচিত হৈ অহা মইনা চেমনীয়াসকলে ১-৩ জুলাই ২০১৮ তাৰিখে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা বিজ্ঞান মেলত অংশগ্ৰহণ কৰে।

**সদৌ অসম মইনা পাৰিজাতৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক ডবা আৰু বেডমিন্টন প্ৰতিযোগিতা ঃ** শিশুৰ শাৰিৰীক বিকাশ আৰু মানসিক বিকাশৰ লগতে ক্ৰীড়া ক্ষেত্ৰত আগ্ৰহী মইনা, চেমনীয়া সকলক প্ৰেৰণা যোগোৱাৰ উদেশ্যে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত অনুসৰি ২০১৭ চনতেই ক্ৰীড়াকোষ গঠন কৰি ডবা আৰু বেডমিন্টন প্ৰতিযোগতা অনুস্থিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বিভিন্ন কাৰণত এই প্ৰতিযোগিতাখনি কেৱল ৮ খন জিলা মইনা পাৰিজাতৰ ( ডিব্ৰুগড়, ধেমাজী, উত্তৰ লখিমপুৰ, গহপুৰ, বিশ্বনাথ, তেজপুৰ, বোকাখাত আৰু শিৱসাগৰৰ) পৰা নিৰ্বাচিত হৈ অহা মুঠ ৬০ জন মইনা/ চেমনীয়া খৈলুৱৈৰে ১৮ আৰু ১৯ মে' ২০১৯ তাৰিখে বোকাখাত জিলা মইনা পাৰিজাতৰ সৌজন্যত এই প্ৰতিযোগিতা অনুস্থিত কৰা হয়।

১৯ মে' ২০১৯ তাৰিখে বোকাখাত জিলা মইনা পাৰিজাতৰ আতিথ্যত আৰু চন্দ্ৰমা বেডমিন্টন ক্লাৱৰ সহযোগত অনুস্থিত বেডমিন্টন প্ৰতিযোগিতা খনি পৰিচালনা কৰে প্ৰাক্তন ৰাজ্যিক খেলুৱৈ শ্ৰীযুত ৰমেন তহবিলদাৰ আৰু শ্ৰীযুত ৰাকেশ ঘোষে । ডবা প্ৰতিযোগিতা পৰিচালনা কৰে শ্ৰী ডায়েৰী উপাধ্যায়, শ্ৰী অনুজ বৰুৱা আৰু শ্ৰী দিগন্ত হাজৰিকাই।

মইনা পাৰিজাতৰ দৰে এটা বৃহৎ অনুষ্ঠানৰ সকলো তথ্য এটি লিখনিত সামৰতো সহজ নহয় ।এই খিনিতে উল্লেখ কৰিব পাই সুখি হৈছো যে মইনা পাৰিজাতৰ পূৰ্ণাংগ ইতিহাসৰ প্ৰথম সংস্কৰণ চতুৰ্দশ ৰাজ্যিক সমাৰোহস্থলী তেজপুৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ত- খৰ্গেশ্বৰ গোস্বামী সোঁৱৰণী সমন্বয় ক্ষেত্ৰত ২৭ ডিচেম্বৰ ২০১৩ তাৰিখে আউনিআটিয় সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোশ্বামী দেৱে উন্মোচন কৰিছিল। ইতিহাসৰ দ্বীতিয় সংস্কৰণ পঞ্চদশ সমাৰোহত প্ৰকাশ কৰা হৈছে। ইতিহাস প্ৰকাশৰ এই নম্ৰ প্ৰয়াসক সকলোৱে আদৰি ল'ব বুলি আশা কৰিছো। অনাগত দিনত মইনা পাৰিজাতৰ উত্তৰোত্তৰ উন্নতিৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিলো।

।।। আমি পোহৰ বিচাৰি যাওঁ।।।

।।। জয়তু সদৌ অসম মইনা পাৰিজাত।।।